স্বদেশ-মন্ত্ৰ

স্বামী বিবেকানন্দ

অনুবাদক—শ্ৰীলম্বোদৰ কলিতা।

চন্দ্ৰনাথ সোঁৱৰণী গ্ৰন্থাৱলী (প্ৰথম পুথি)

স্বদেশ-[illegible]

VICTORIA JUBILEE LIBRARY
No. 433
TEZPUR, ASSAM



DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

কৰ্ম্মবীৰ ৺চন্দ্ৰনাথ শৰ্ম্মা।

প্ৰকাশকঃ—শ্ৰী[illegible] শৰ্ম্মা

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY

অসমীয়া শিশু সাহিত্য প্ৰচাৰ সমিতিৰ তত্বা-
বধানত, ডিপোটাৰ চন্দ্ৰনাথ স্মৃতি মন্দিৰ ভঁৰালৰ
ধনেৰে প্ৰকাশিত . . . .

কিতাপ পোৱাৰ ঠিকনা
চোল এজেণ্টচ
পি. চি. বৰুৱা ব্ৰদাৰ্চ (আসাম এজেঞ্চি
সমন্বিতে)
৩৩নং কেনিং ষ্ট্ৰীট, কলিকতা।

নৰসিং দাস আগৰওৱালা দ্বাৰা
দি লক্ষ্মী প্ৰিণ্টিং ওৱাৰ্কেস,
৩৭০নং অপাৰ চিৎপুৰ ৰোড, কলিকাতা, মুদ্ৰিত।

প্ৰকাশকৰ নিবেদন।

মোৰ পৰম সৌভাগ্য যে দেশগতপ্ৰাণ কৰ্ম্মী স্বৰ্গীয চন্দ্ৰনাথ শৰ্ম্মাৰ নামত আমাৰ ক্ষুদ্ৰ শক্তি অনুযাযী পূজাৰ ক্ষুদ্ৰ সম্ভাৰ আয়োজন কৰিবলৈ সমৰ্থ হলোঁ। আৰু তাৰ প্ৰথম নিবেদনীয উপচাৰ "স্বদেশ-মন্ত্ৰ" গুণগ্ৰাহী ৰাইজৰ হাতলৈ আগ বঢালোঁ। 'স্বদেশ হিত সাধন' মাথোন যাৰ জীৱনৰ ব্ৰত আছিল, যি ব্ৰত উদ্‌যাপন কৰিবলৈ যাওঁতে (দুৰ্ভগীয়া দেশৰ কাৰণেই) প্ৰাণটি পৰ্য্যন্ত অকালত এৰি নিজ জীৱনৰ পূৰ্ণতা দান কৰিলে, সেই মহৎ জীৱনৰ এনে ভাবে সোঁৱৰণী ৰক্ষা কৰিবলৈ যোৱা একপক্ষে বিড়ম্বনা বুলিয়েই জ্ঞান হয। শক্তি চাই ভক্তি কাৰণেই, বিশেষতঃ অন্তৰৰ পৰা আপুনি ওলোৱা শ্ৰদ্ধাৰ চিন বুলিহে এই কাৰ্য্য অনুসৰণ কৰিব খুজিছোঁ। ইযাৰ ব্যৰ্থ অব্যৰ্থতাৰ বিচাৰ ৰাইজৰ হাতত। ৰাইজে যেনে ভাবে ইচ্ছা গ্ৰহণ কৰি ইয়াৰ ব্যৰ্থতা বা পূৰ্ণতা সাধন কৰিব পাৰে। আমি কিন্তু সকলো গুণগ্ৰাহীৰ ওচৰতে সহানুভূতিৰ অপেক্ষা ৰাখিহে এনে দাযিত্বপূৰ্ণ কামত হাত দিছোঁ।

"৺চন্দ্ৰনাথ সোঁৱৰণী গ্ৰন্থাবলী" প্ৰকাশৰ আমাৰ এই সঙ্কল্পৰ কাৰণো এই প্ৰথম পুথিতে আনু-সঙ্গিক ক্ৰমে প্ৰকাশ কৰাটো উচিত বুলি ভাবিছোঁ. ইতিপূৰ্ব্বে গুৱাহাটীৰ 'একতা সভাৰ' পৰা ঠিক এনে ধৰণেৰে এটা উদ্যম হৈছিল। সিবিলাকে তাৰ এখন কিতাপো ছাপা কৰি উলিয়ালে। তাৰ পিচৰপৰা আৰু কোনো সঁা-সঁহাৰি নাই। ইপোনে ৯ম ভাগ ত্ৰয়োদশ সংখ্যা ২ শাওণৰ "অসমীয়া" বাতৰি কাকতৰ যোগে অলপতে যি ঘোষণা কৰা হৈছি ৰাইজসকলে স্পষ্টতঃ জানিছে যে ঘটনা'ৰ সোঁতে এই কাৰ্য্যৰ ভাৰ মোৰ ওপৰত পেলাই দিলে—মোৰ যোগ্যতালৈ অপেক্ষা নকৰিলে। কাল প্ৰভাৱ মানি নতশিৰে ইয়াক গ্ৰহণ কৰিব লগীয়া হ'ল। মোৰ আশা মোৰ দেশৰ মানুহ নিশ্চয় উদাৰ আৰু কৃতজ্ঞ সেই উদাৰতাৰে আৰু কৃতজ্ঞতাৰে এই দায়িত্বপূৰ্ণ কাৰ্য্য সাফল কৰি তুলিবলৈ সকলোৱে মোক সহায়তা কৰিব।

প্ৰকৃততে আজিৰ এই কাৰ্য্যৰ গুটি তেজপুৰৰ ডিপোটো গাৰত আজি ১॥০ দেড় বছৰৰ আগতে পোতা হৈছিল। তাৰ কাৰ্য্যকাৰক আছিল কেউজন-

মান অসহযোগ-ব্ৰতী উৎসাহী ডেকা। প্ৰথমতে যি উদ্দেশ্যে এই সোঁৱৰণী ৰক্ষাৰ ভাব আছিল আজি সেই ভাব ৰক্ষা নপৰিল। সেই কমিটিৰ গোটাদিয়েক বিষয়ত মত ভেদ হোৱাত আৰু সৰহ টকা নোহোৱাত খৰচ বহুল কোনো ৰকমৰ জাতীয় ধৰণৰ শিক্ষা প্ৰতিষ্ঠান সম্ভৱ নহল। এতিয়া গতিকে এই কাৰ্য্যৰ দ্বাৰা এফালে চমু কৰা হল যদিও আমি সাহিত্য সেৱাৰ ভিতৰেদি দেশবাসী সকলোৰে সেৱাৰ জোগান ধৰিবলৈ সুচলহে পালোঁ। প্ৰকাশ্য কথা যে আমাৰ পুঁজি মুঠেই ২০০৲ টকা! আজিৰ দিনত ইয়াৰে কি হব পাৰে সকলোৱে অনুমান কৰিব। আমি মাথোন আগ বাঢ়িছোঁ—কোনো সদাশয় লোকৰ অনুগ্ৰহলৈ দৃষ্টি ৰাখিহে। আন দেশত হোৱা হলে এনেজন লোকৰ স্মৃতি ৰাখিবলৈ বিশেষ কষ্টৰ প্ৰয়োজন নাছিল। দুই এজন আঢ্যৱন্ত লোকেই দিহা কৰি সহায় কৰিলে হেতেন। আমাৰ দেশত তেনে ব্যৱস্থাৰ আশা কৰিবৰ নৌ এথোন।

অদম্য উৎসাহশীল, কৰ্ত্তব্য-পৰায়ণ, নিৰ্ভীক, স্পষ্টবাদী চন্দ্ৰনাথৰ জীৱনীত মহত্ত্ব কোন থিনিত এই পাতনিত তাক দেখুৱাবৰ ঠাই নহয়। চন্দ্ৰনাথৰ

অশেষ যত্ন গুৰিত নথকা হলে আমি বৰ্ত্তমানে শাসন সংস্কাৰ দলিয়াই পেলাবলৈ যত্ন কৰিবৰ কে নো প্ৰয়োজন নহল হেতেন। চন্দ্ৰনাথে দেশমাতৃকাক ৰাজনীতিগত অধিকাৰ বিষয়ত ভাৰতৰ আন আন প্ৰদেশৰ শাৰীত বহুৱাইহে তৃপ্ত হৈছিল তাৰ আগেয়ে তেওঁৰ 'পেটৰ ভাত চকুৰ টোপনি' নাছিল। এই চন্দ্ৰনাথক দেশে যোগ্য ভাবে সমাদৰ কৰিব জানিলেনে? আজি আসাম এচোচিয়েচনৰ বোধকৰোঁ পোন প্ৰথম কৰ্ত্তব্য-যোগ্য ভাবে এই দেশপ্ৰেমত মতলীয়া সন্ন্যাসীৰ সোঁৱৰণী ৰক্ষা কৰিবলৈ দিহা কৰাত—কিন্তু দেখিছোঁ সিবিলাক উদাস !!

সিবিলাকৰ বৰ্ত্তমানৰ এই উদাসীনতাই আমাক হতাশ কৰা নাই। কৰিব লগীয়া বহুতো কামকে উক্ত সমিতিয়ে নানান কাৰণত কৰিব পৰা নাই। মই আশা কৰোঁ—সিবিলাক সোনকালে এইজন কৰ্ম্মীৰ প্ৰতিও সিবিবলাকৰ যে এটা কৰ্ত্তব্য আছে তালৈ চকু দিব।

এই পুথিথন মোৰ বন্ধু শ্ৰীযুত বসন্তকুমাৰ চট্টোপাধ্যায় ডাঙৰীয়াই 'সেবা সিৰিজ' নাম দি কলিকতা পৰা প্ৰকাশ কৰিছিল। তেখেতৰ বৰ আগ্ৰহ যাতে

আসামত স্বামী বিবেকানন্দ আৰু শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংস দেবৰ শিক্ষা আৰু উপদেশাদি ভাল ৰকমে প্ৰচাৰ হয়। তেখেতে উপযাচি মোক এই কিতাপ-খন অনুবাদ কৰি প্ৰচাৰ কৰিবলৈ অনুমতি দিয়ে আৰু সেই কথামতে তেতিয়া 'অৰুণ' পৰিচালনাত মোৰ সহকৰ্ম্মী শ্ৰীমান লম্বোদৰ কলিতাক অনুবাদ কৰিবলৈ লগাওঁ।

সোঁৱৰণী গ্ৰন্থাৱলী উলিয়াবলৈ স্থিৰ কৰি পোনতে কি কিতাপ প্ৰকাশ কৰোঁ বুলি চিন্তা কৰোঁতেই হঠাৎ এইখন কিতাপলৈ চকু পৰিল। মোৰ 'চন্দ্ৰ দাদা' * অদম্য উৎসাহত আৰু স্বদেশ প্ৰাণতাত স্বামীজীতকৈ কম নাছিল। গতিকে ভাবি স্থিৰ কৰিলোঁ ইয়াকে বাইজৰ আগত তেওঁৰ নামে দাঙি ধৰা বেয়া নহব। বিশেষতঃ বন্ধুবৰ শ্ৰীবসন্ত বাবুয়ে কিতাপখনিৰ পৰিচয় দিওঁতে লিখিছে—"তেখেতৰ (স্বামীজীৰ) ধৰ্ম্ম বা সমাজ সম্বন্ধীয় বাণী এই কিতাপত দিয়া নাই; মুঠেই মুমূৰ্ষু ভাৰতবৰ্ষক আত্মবিস্মৃতিৰ গৰাহৰপৰা ৰক্ষা কৰিবলৈ যি বিলাক উৎসাহপূৰ্ণ বাণী প্ৰচাৰ কৰি ভাৰতবাসীৰ প্ৰাণলৈ স্পন্দন আনিবলৈ সফলকাম হৈছিল আৰু ভাৰতৰ

উঠি অহা ডেকাসকলৈ লক্ষ্য কৰি যি পথ নিৰ্দ্দেশ কৰিছিল সেই সম্বন্ধেই কিছুমান বাণী মাথোন সংগ্ৰহ কৰি এই পুস্তিকা প্ৰণয়ন কৰা হৈছে।" আমাৰ বিশ্বাস এমুৰীয়া প্ৰদেশ আসামৰ উঠি অহা ডেকা সকলে পোন প্ৰথম জানিব লগীয়া এই কথাৰপৰা বঞ্চিত থকা অন্যায়। আৰু আমাৰ বিশ্বাস "স্বদেশ-মন্ত্ৰই" আমাৰ সুপ্ত হৃদয়ত অলপমানো আঘাত কৰি প্ৰাণ শক্তি জগাবলৈ সহায়তা কৰিব। তেতিয়াহলেই ইয়াৰ পূৰ্ণ সাৰ্থকতা হল আৰু সোঁৱৰণী সফল হল। ইতি

আশীৰ্ব্বাদ ভিখাৰী—

শ্ৰীমহাদেৱ শৰ্ম্মা।

---

* মই মাজোতেহে "দাদা" বোলোঁ। কিন্তু প্ৰকৃততে অলপ দূৰৈ হলেও আমাৰে সৈতে মোমাই ভাগিন সম্বন্ধহে আছিল। আদৰ কৰিয়েই উভয়ে উভয়ক "দাদা" বুলি মাতিছিলোঁ। প্ৰকাশক।

PLEASE HANDLE THE BOOK CAREFULLY
VICTORIA ... LIBRARY
No. 433
TEZPUR, ASSAM.

স্বদেশ-[illegible]

মোৰ অলপ অভিজ্ঞতাও আছে আৰু জগতৰ আগত মোৰ কিছুমান বাণী প্ৰচাৰ কৰিবলৈও আছে—মই নিৰ্ভয়ে আৰু ভৱিষ্যতৰ বাবে নিশ্চিন্তে সেই বাণী প্ৰচাৰ কৰিম।

মই সংস্কাৰক সকলক কওঁ যে মই তেওঁলোকতকৈ এজন ডাঙৰ সংস্কাৰক। তেওঁলোকে অলপ অচৰপ সংস্কাৰ কৰিব খোজে—মই আমূল সংস্কাৰ কৰিব খোজোঁ। মাথোন সংস্কাৰৰ প্ৰণালী লৈ আমাৰ ভিতৰত প্ৰভেদ। তেওঁলোকৰ প্ৰণালী—ভাঙ্গি চিঙ্গি পেলোৱা, মোৰ প্ৰণালী সংগঠন।

মোৰ সংস্কাৰত বিশ্বাস নাই—স্বাভাবিক উন্নতিতহে মোৰ বিশ্বাস। মই নিজক ঈশ্বৰৰ আসনত ঠাই দি 'সমাজ তুমি এনে ভাবে চলিব লাগিব; তেনেমতে নহয়' বুলি আদেশ কৰিবলৈ সাহ নকৰোঁ। মই মাথোন সেই কেৰ্কেটুৱাৰ দৰে হব খোজোঁ—যি কেৰ্কেটুৱাই প্ৰভু ৰামচন্দ্ৰৰ সেতু বন্ধনৰ সময়ত তাৰ

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

সাধ্যমতে এমুঠি বালিৰ ভাৰ বৈয়ে নিজে কৃতাৰ্থ মানিছিল—এয়ে মোৰ ভাব।

এই অদ্ভুত জাতীয় যন্ত্ৰই শ শ বছৰ ধৰি কাম কৰি আহিছে। এই অদ্ভুত জাতীয়-জীবন নৈ আমাৰ আগেদি বৈ গৈছে। কোনে জানে, কোনে সাহ কৰি কব পাৰে, ই ভাল নে বেয়া বা কোন ঢালেনো ইয়াৰ গতি হোৱা উচিত? হেজাৰ হেজাৰ ঘটনাচকৰিয়ে ইয়াক এক বিশেষ ভাবে বেগবিশিষ্ট কৰিছে—সেইহে সময়ে সময়ে ই ধীৰ আৰু সময়ে সময়ে ই বেগৱতী হৈছে।

তাৰ গতি কোনে নিয়মীয়া কৰিবলৈ সাহ কৰিব পাৰে?

গীতাৰ উপদেশ অনুসৰি আমি মাথোন কাম কৰি যাব লাগিব, ফলাফললৈ অলপো নাচাই দৃঢ়-চিত্তে থাকিব লাগিব। তাৰ পুষ্টি সাধনৰ কাৰণে যি লাগে, তাক দি যোৱাঁ; সি নিজৰ স্বভাব অনুযায়ী নিজৰ দেহ গঠন কৰি লব। 'এনেভাবে তোমাৰ দেহ গঠন কৰা' বুলি তাক উপদেশ দিবলৈ তোমা-লোকৰ কাৰো সাধ্য নাই।

আমি উত্তেজনা শূন্য হব লাগিব। আমাক

জগতৰ বুৰঞ্জীয়েও চিঞৰি কৈছে যে, য'ত উত্তেজনাৰ সহায়ত কোনো সংস্কাৰৰ চেষ্টা কৰা হয় তাত যি উদ্দেশ্যে সংস্কাৰ-চেষ্টা হয় সেই উদ্দেশ্যও বিফল হয়— এয়ে তাৰ ফল।

বিজাতিৰ সংঘৰ্ষত ভাৰত ক্ৰমে সাৰ পাই উঠিছে। সাৰ পোৱাৰ ফল স্বৰূপে আজি ভাৰতে স্বাধীন চিন্তা কৰিছে।

যুধিষ্ঠিৰ বা ৰামচন্দ্ৰই হওক নাইবা ধৰ্ম্মবীৰ অশোক বা আকবৰেই হওক, আনে যাৰ মুখত সদায় টোপ তুলি দি আহিছে তাৰ নিজে নিজৰ আহাৰ তুলি খাবলৈও শক্তি নাথাকে। আনে যাক সকলো বিষয়ত ৰক্ষা কৰে তাৰ নিজৰ আত্মৰক্ষা কৰিবৰ শক্তি লোপ পায়। সদায় কেচুৱাৰ দৰে লালিত পালিত হোৱা অতি বলী ডেকাও 'বুঢ়াকেচুৱা' হয়। দেব-তুল্য ৰজাই শাসন কৰা প্ৰজায়ো কেতিয়াও স্বায়ত্ত-শাসন নিশিকে ; পৰমুখাপেক্ষী হৈ ক্ৰমে বল, বীৰ্য্য আৰু শক্তিহীন হয়।

অতিজৰেপৰা ধন ধানেৰে নদন-বদন ভাৰতৰ বিনন্দীয়া পথাৰে বিদেশীৰ মনত ভাৰত অধিকাৰ স্পৃহা উটলাই তুলিছে।

প্ৰজাই ৰাজসিংহৰ ভোগ ইচ্ছাত বিঘিনি ঘটালেই প্ৰজাৰ সৰ্ব্বনাশ ; বিনীত ভাবে ৰাজাজ্ঞা মানি চলিলেই প্ৰজাৰ মঙ্গল ।

প্ৰজা সমষ্টিৰ শক্তিকেন্দ্ৰ স্বৰূপ ৰজাই তেওঁৰ শক্তি সঞ্চয় যে ‘গুণমূৎস্ৰষ্টুং’ তাক পাহৰি যায় ; বেণ ৰজাব দৰে নিজক সকলো দেৱতাৰ মূল বুলি ভাবি, আনক মনুষ্যত্বহীন যেন দেখে ।

ভাল হলেও বেয়া হলেও তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাই মহাপাপ । * * * পালনৰ ঠাইত সেই কাৰণেই পীড়ন হয়—ৰক্ষণৰ ঠাইত ভক্ষণ ।

যদি সমাজ নিৰ্বীৰ্য্য হয় তেন্তে সমাজে নীৰৱে সহ্য কৰে, ৰজা প্ৰজা উভয়ে হীনতকৈও হীন অবস্থা পায আৰু তেওঁবিলাক সহজে আন বীৰ্য্যবান জাতিৰ হাতৰ মুঠিৰ ভিতৰত সোমায় ।

যি দেশৰ সমাজ-দেহ বলী তাত সোনকালে সেই বলৰ প্ৰতিক্ৰিয়া হয় আৰু তাৰ প্ৰতাপত ৰাজ-ছত্ৰ, দণ্ড, চামৰাদি ছিন্ন বিছিন্ন হয় আৰু সিংহাসন আদি বস্তুবোৰ যাদুঘৰৰ পুৰণিকলীয়া কীৰ্ত্তি কলাপৰ চিন বুলি বোধ হয় ।

যাৰ শাৰীৰিক পৰিশ্ৰমৰ ওপৰত ব্ৰাহ্মণৰ আধি-

পত্য, ক্ষত্রিয়ৰ ঐশ্বর্য্য আৰু বৈশ্যৰ ধনধান নির্ভৰ কৰে সেই সকল আজি ক'ত ?

সমাজৰ সর্ব্বাঙ্গ হৈও যি সকলো দেশত আৰু সকলো সময়তে "জঘন্য প্রভবো হি সঃ" বুলিহে নিজক চিনাকি দিব পাৰিছে তেওঁলোকৰ বৃত্তান্ত আজি কালি কি ?

যি বিদ্যাশিক্ষা ইচ্ছাৰূপ গুৰুতৰ অপৰাধ কৰিলে ভাৰতত "জিহ্বাচ্ছেদ শৰীৰ ভেদাদি" দণ্ডত দণ্ডনীয় হয় ; ভাৰতৰ সেই 'চলমান মৰিশালী', ভাৰতৰ আৰু দেশৰ "বোজাবোৱা পশু" সেই শূদ্র জাতিৰ গতি আজি কেনে ?

এই দেশৰ কথা নো কি কম ? * * শূদ্র জাতিৰ কথা দূৰে থাওক, ভাৰতৰ ব্রহ্মণ্য এতিয়া পশ্চিমৰ গৌৰাঙ্গ-অধ্যাপকত, ক্ষত্রিয়ত্ব ৰাজ চক্রবর্ত্তী ইংৰাজত, বৈশ্যত্ব ইংৰাজৰ অস্থিমজ্জাগত; ভাৰতবাসীৰ আছে মাথোন বোজাবোৱা পশুত্ব, মাথোন শূদ্রত্ব।

দুর্ভেদ্য ঘোৰ অমানিশা আন্ধাৰে আজি সকলোকে সমানে ঢাকি থৈছে।

এতিয়া চেষ্টাত একাগ্রতা নাই, উদ্যোগত সাহ নাই, মনত বল নাই, অপমানত লাজ নাই, দাসত্বত

অৰুচি নাই প্ৰাণত আশা নাই। আছে—দুৰ্ব্বলৰ যেনে তেনে সৰ্ব্বনাশ-সাধনত একান্ত ইচ্ছা, আৰু বলবানৰ কুকুৰৰ দৰে পদলেহন।

এতিয়া তৃপ্তি ঐশ্বৰ্য্য বঢ়োৱাত, ভক্তি স্বাৰ্থ-সাধনত, জ্ঞান অনিত্য বস্তু-সংগ্ৰহত, যোগ পৈশাচিক আচাৰত কৰ্ম্ম পৰৰ দাসত্ব কৰাত, সভ্যতা বিজাতীয় অনুকৰণত বাগ্মীত্ব অসংযত বাক্য প্ৰলাপত, ভাষাৰ উন্নতি ধনী সকলৰ অসম্ভব তৰ্কবাদত বা জঘন্য অশ্লীলতা বিকীৰণত।

এই শূদ্ৰপূৰ্ণ দেশৰ শূদ্ৰসকলৰ কি অৱস্থা! ভাৰতৰ শূদ্ৰসকল যেন সাৰ পাই উঠিছে। কিন্তু তেওঁলোকৰ বিদ্যা নাই, আছে—শূদ্ৰ সাধাৰণ স্বজাতি বিদ্বেষ।

সংখ্যাত বেছি হলে হব কি? * * যি একতাৰ বলত দহজনে হাজাৰ হাজাৰ লোকৰ শক্তি পায়, সেই একতা শূদ্ৰসকলৰপৰা বহুত দূৰত; এই কাৰণেই শূদ্ৰজাতি মাত্ৰে নৈসৰ্গিক নিয়মৰ পৰাধীন।

কিন্তু আশা আছে। শূদ্ৰই ধৰ্ম্ম কৰ্ম্মত সকলো দেশতে (শূদ্ৰই) সমাজত এদিন একাধিপত্য লাভ কৰিব।

তাৰ পুৰাৰ হেঙ্গুলি ৰহনে পাশ্চাত্য জগতত লাহে লাহে দেখা দিছে ।

যুগযুগান্তৰৰ দলনৰ ফলত শূদ্র মাত্রেই এতিয়া হয় কুকুৰৰ দৰে পদলেহক নাইবা হিংস্র পশুৰ দৰে নৃশংস ।

আৰু সদায় সিহঁতৰ বাসনা নিস্ফল হৈ আহিছে, সেই কাৰণে শূদ্র জাতিৰ দৃঢ়তা আৰু অধ্যৱসায় একেবাৰে নাই। অকল সেয়ে নহয়, উচ্চ জাতিৰ আবর্জ্জনাৰূপ অকামিলা মানুহবোৰ শূদ্রজাতিৰ লগত মিল হয় ।

সাধাৰণ প্রজাসকলেই সকলো শক্তিৰ আধাৰ স্বৰূপ হৈও পৰস্পৰৰ মাজত ভেদ ভাবৰ সৃষ্টি কৰি নিজৰ অধিকাৰৰপৰা বঞ্চিত হৈছে। যেতিয়ালৈকে এই ভেদ ভাব থাকিব তেতিয়ালৈকে শূদ্রজাতি এই ভাবে থাকিব ।

ভাৰতবর্ষৰ দৰিদ্র, নীচ আৰু পতিত জাতিৰ কাৰণে আমি কেতিয়াবা ভাবি চাওঁনে ?

সিহঁতৰ একো উপায় নাই; পলাবলৈ সিহঁতৰ কাৰণে বাট নাই, উঠিবলৈ উপায় নাই ।

ভাৰতত দৰিদ্ৰ আৰু পতিতজাতিক সাহায্য কৰোঁতা কোনো নাই।

যি যিমানেই চেষ্টা কৰক সিহঁতৰ উদ্ধাৰৰ উপায় নাই। সিহঁত সদায় তলৈলহে গৈছে।

নৃশংস সমাজ ৰাক্ষসীয়ে সিহঁতক ক্ৰমে দিনে দিনে কৰা পীড়নৰ কষ্ট সিহঁতে অনুভব কৰিছে।

কিন্তু সিহঁতে নাজানে যে সেই কষ্ট ক'ৰপৰা পাইছে। সিহঁতো যে মানুহ সেই কথা সিহঁতে পাহৰি গৈছে। ইয়াৰ ফল দাসত্ব আৰু পশুত্ব।

আমাৰ অভিজাত উপৰিপুৰুষসকলে আমাৰ দেশৰ সাধাৰণ জাতিবোৰক পদদলিত কৰিবলৈ ধৰিলে; ক্ৰমে সেই জাতিবোৰ অসহায় হৈ পৰিল; এই অত্যাচাৰৰ ফলতে দৰিদ্ৰসকলে, সিহঁত যে মানুহ তাকে পাহৰিলে। শ শ বছৰ ধৰি সিহঁতে অভিজাতসকলৰ গোলামি কৰি আহিছে—সমাজৰ নগন্য কামবোৰ কৰি পেটৰ ভাত মোকোলাইছে। লাহে লাহে সিহঁতৰ মনত বিশ্বাস হল যে, যেন অভিজাত সকলৰ গোলামি কৰা বা কাঠ কটা, পানী জোগোৱা আদি সমাজৰ সামান্য কামবোৰ কৰিবলৈকে সিহঁতৰ জন্ম। লগতে কোনোৱে দয়া কৰি সিহঁতৰ ভালৰ কাৰণে দুএষাৰ

কৰলৈ গলেও বৰ্ত্তমান যুগৰ আমাৰ শিক্ষাভিমানী স্বজাতীয়সকল এই পদদলিত পতিত জাতিৰ উন্নতি সাধন কৰ্ত্তব্য কামত বিচলিত হয়।

আমাৰ দেশত যদি কোনোবা নীচ কুলত জন্ম হয় তেন্তে তাৰ আৰু আশা ভৰসা নাই, সি একেবাৰে গল। কিয় বাৰু?

দৰিদ্ৰসকলৰ সহায়তাৰ কাৰণে ভাৰতত কেই খন সভা সমিতি আছে? কেইজনৰ লক্ষ লক্ষ অনাথ পতিতৰ কাৰণে প্ৰাণ কান্দে?

হে ভগবান, আমিও আকৌ বোলে মানুহ! তোমাৰ চাৰিউফালে হাড়ি, ডোম, চণ্ডালসকলে গৰু পশুৰ দৰে বাস কৰিছে; সিহঁতৰ উন্নতিৰ বাবে তুমি কি কৰিছা? সিহঁতৰ মুখত এমুঠি অন্ন দিবলৈ কি কৰিব পাৰিছা, কব পাৰানে?

তুমি সিহঁতক নোচোৱা, দূৰ দূৰ কৰা; আমিও মানুহ নে?

সৌৱা তোমাৰ ভিতৰৰ শ শ সাধু ব্ৰাহ্মণ লোক-হিতৰ কাৰণে বোলে জীয়াই আছে, পিচে তেওঁলোকে পতিত দৰিদ্ৰ পদদলিত দীন দুখীয়াসকলৰ হৈ কি কৰিছে?

মুঠেই কয়—“নুছুবি, নুছুবি !”

ভাৰতৰ জন সাধাৰণৰ দাৰিদ্ৰই সকলো দুৰ্দ্দশাৰ মূল।

পাশ্চাত্য দেশৰ দৰিদ্ৰসকল পিশাচ প্ৰকৃতিৰ আৰু আমাৰ দেশৰ সকল দেবপ্ৰকৃতিৰ। গতিকে আমাৰ পক্ষে আমাৰ দেশৰ দৰিদ্ৰসকলৰ অৱস্থাৰ উন্নতি সাধন অনেক সহজ।

সিহঁতক শিকোৱাঁ, জগতত সিহঁতো মানুহ, সিহঁতেও চেষ্টা কৰিলে তেমালোকৰ সকলো প্ৰকাৰে উন্নতি বিধান কৰিব পাৰিব।

হে ডেকাসকল! দৰিদ্ৰ অজ্ঞানী, অত্যাচাৰ পীড়িত লোকসকলৰ কাৰণে তেমালোকৰ প্ৰাণ কান্দি উঠক, প্ৰাণ কান্দোতে কান্দোতে কণ্ঠ ৰুদ্ধ হওক, মূৰ ঘূৰক, তোমালোক পাগল হবৰ উপক্ৰম হোৱাঁ!

দৰিদ্ৰ, অজ্ঞানী, অত্যাচাৰ পীড়িত সকলৰ প্ৰতি দেখুৱাব লগীয়া সহানুভূতি, আৰু প্ৰাণপণ কৰি কৰিব লগীয়া চেষ্টাৰ ভাৰ দায়িত্ব হিচাপে তোমালোকৰ ওপৰত অৰ্পণ কৰিছোঁ।

তাৰবাবে এটি মহা-বলি অৰ্পণ কৰা ! যাৰ কাৰণে ভগবানৰ যুগে যুগে অবতাৰ হয, যাক ভগ-

বানে সকলোতকৈ ভাল পায়, সেই দীন দৰিদ্ৰ পতিত উৎপীড়িতৰ কাৰণেই বলি—জীৱন বলি!

ত্ৰিচ্কোটি ভাৰতবাসীৰ উদ্ধাৰৰ কাৰণে তোমালোকে আজীৱন ব্ৰত গ্ৰহণ কৰাঁ। তেওঁলোক দিনে দিনে অধঃপাতে গৈছে।

ই এদিনৰ কাম নহয়। এই পথ ভয়ঙ্কৰ কণ্টকময়।

শ শ যুগ ধৰি সঞ্চিত পৰ্ব্বত প্ৰমাণ অনন্ত দুখ স্তূপত জুই জ্বলোৱাঁ, ই ভষ্মিভূত হবই হব। এতিয়া তোমাৰ কি ৰোগ তাক বুজিলা,তাৰ ঔষধ কি তাকো বুজিলা, মাথোন এতিয়া বিশ্বাসী হোৱাঁ।

হৃদয়হীন মস্তিষ্ক অভিমানী সকলক বা তেওঁলোকৰ নিস্তেজ বাতৰি কাকতৰ প্ৰবন্ধবোৰ নামানিবা।

দীন, দৰিদ্ৰ, পদদলিতসকলক ভাল পাবলৈ শিকাঁ।

কামেৰে কথা কোৱা,মুখেৰে নহয়। অৰ্থাৎ মুখেৰে বাৰ হাল বাবলৈ যোৱাতকৈ কামে কাজে আহি দেখুৱা! আৰু এটা কথা কৈ থওঁ। দৰিদ্ৰ, হীন জাতিৰ ভিতৰত যেতিয়াৰপৰা বিদ্যা আৰু শক্তি প্ৰবেশ কৰিলে তেতিয়াৰপৰা ইউৰোপ সাঁৰ পাই

উঠিল। দেশৰ বৰুৱা, বিষয়া, ধনী, পণ্ডিত এওঁলোকে শুনিলে বা নুশুনিলে, বুজিলে বা নুবুজিলে, তোমালোকক গালিয়েই পাৰিলে বা প্ৰশংস ই কৰিলে,তাৰপৰা একো লাভ লোকচান নাই। এওঁলোক হৈছে দেশৰ শোভা আৰু বৰাই মাথোন,—কোটি কোটি দৰিদ্ৰ, হীনলোকহে দেশৰ প্ৰাণ। সংখ্যা বা ধনৰ দাৰিদ্ৰ লৈ কোনো কথা নাই ; কায়মনোবাক্যে যদি এক হয় এমুঠি মানুহে পৃথিবী ওলট পালট কৰিব পাৰে; এই বিশ্বাসটো সদায় মনত ৰাখিবা। বাধা যিমান হয় তিমানেই ভাল। বাধা নাপালে নৈৰ বেগ জানো বাঢ়ে ? যি বস্তু যিমান নতুন হব,যিমান উত্তম হব সেই বস্তুৰ বাধা বিধিনিও তিমান বেছি হয়। বাধা বিধিনিয়েই সিদ্ধিৰ পূৰ্ব্ব লক্ষণ—বাধাও নাই সিদ্ধিও নাই

য'ত সকলোতকৈ দৰিদ্ৰৰ বাস,তাত এটা ৰাজহুৱা ঘৰ সজা। তুই এটা মেজিক লেনট্ৰান্, কিছুমান মেপ গ্লোব আৰু কিছুমান ৰসায়নিক পদাৰ্থ তাত গোটোৱা। নিতৌ সন্ধিয়া তাত দীন দৰিদ্ৰসকলক আনকি চঁড়াল সকলকো গোটাই মেজিক্ লেনট্ৰান্ আৰু আন আন সংগৃহিত পদাৰ্থেৰে জ্যোতিষ, ভূগোল প্ৰভৃতি বিষয়ে চলিত ভাষাৰে শিক্ষা দিয়াঁ।

অগ্নি মন্ত্রেৰে এদল ডেকা গঠন কৰাঁ!

যি উপায়েই হওক, সাধাৰণ দৰিদ্ৰলোকসকলৰ উন্নতি সাধন কৰিবই লাগিব।

কামৰ আৰম্ভণি নিচেই সামান্য ভাবে হল বুলি ভয় নকৰিবা। সামান্যৰ পৰাহে ডাঙ্গৰ হয়গৈ।

তেন্তে আহাঁ ভাইসকল! চকু মেলি চোৱাঁচোন, গভীৰ দুখ দাৰিদ্ৰই ভাৰতক ছাটি থৈছে। এই ব্ৰত হল গুৰুতৰ, আমি হলোঁ আশকতীয়া। হওক হানী নাই, আমি সেই অনন্ত জ্যোতির্ম্ময় ভগবানৰে সন্তান। শই শই এই চেষ্টা কৰি প্ৰাণ বলি দিব, আকৌ শ শ উঠিব।

পিচলৈ ঘূৰি নাচাবা। কোন পৰিল চাবলৈ নাযাবা; সমুখ হৈ আগবাঢ়া—এজন পৰিলে, আন এজনে তেওঁৰ ঠাই অধিকাৰ কৰিবা।

আমাৰ কৰ্ত্তব্য—কাম কৰি মৰা।

সাহক সাৰথি কৰাঁ; তোমালোকৰপৰা মহৎ মহৎ কাম হব, এই বিশ্বাস নেহেৰুৱাবা।

নিজক প্ৰস্তুত কৰি ৰাখা।

নিজত বিশ্বাস ৰাখাঁ। অটল বিশ্বাসেই মহৎ মহৎ কামবোৰৰ জন্মদাতা।

আগবাঢ়া, আগবাঢ়া! আজীৱন দৰিদ্ৰ, পদদলিত সকলক সহানুভূতি দেখুৱাব লাগিব এয়ে আমাৰ মূলমন্ত্ৰ।

থিয়লা থিয়লিয়েই আমাৰ দাসসুলভ জাতীয় চৰিত্ৰৰ কলঙ্ক স্বৰূপ। হে বীৰ, মহৎ হৃদয়বান ডেকা-লৰাসকল! কাচি-পাৰি লাগা। নাম, যশ বা আন পাৰ্থিব তুচ্ছ ঐশ্বৰ্য্য বিভূতিৰ কাৰণে পিচলৈ নাচাবা।

নিজৰ স্বাৰ্থ একেবাৰে বলি দি কামত লাগি যোৱাঁ!

মনত ৰাখিবা, বহুতো তৃণবন একেলগে পকাই ৰছি কৰি তাৰে দঁতাল হাতীও বান্ধিব পাৰি।

উঠা! উঠা! ঘোৰ অন্ধকাৰ ৰাতিৰ পিচত পুৱাই দেখা দিছে। দিনৰ পোহৰ দেখা গৈছে। মহা-তৰঙ্গ উঠিছে! কোনোমতেই ইয়াৰ গতিৰোধ কৰিব নোৱাৰিবা।

দুখ বেজাৰ নকৰিবা, নিৰাশ নহবা, ভয় নকৰিবা। ভয় কৰা সকলোতকৈ মহাপাপ।

বিশ্বাস কৰাঁ! ভাৰতৰ উন্নতি হবই হব—ই প্ৰভুৰ আজ্ঞা। সাধাৰণ নীচ আৰু দৰিদ্ৰ সকল সুখী

হব ; তোমালোকেই সিহঁতৰ হৈ কাম কৰাৰ যন্ত্ৰ বুলি ভাবি তোমালোকে আৰু আনন্দ কৰাঁ।

স্বাধীনতা নদিলে কোনো প্ৰকাৰৰ উন্নতিয়েই সম্ভবপৰ নহয়।

উন্নতিৰ গুৰিবঠা হৈছে—স্বাধীনতা।

হা অন্ন! হা অন্ন!

যি ধৰ্ম্ম বা ঈশ্বৰে বিধবাৰ অশ্ৰু মোচন কৰিব নোৱাৰে,পিতৃমাতৃহীন অনাথৰ মুখত টোপ এটি ডাঙ্গি দিব নোৱাৰে তেনে ধৰ্ম্ম বা ঈশ্বৰত মোৰ বিশ্বাস নাই।

যি ঈশ্বৰে এইজন্মত আমাৰ পেটৰ ভাতকেটা দিব নোৱাৰে, তেওঁ স্বৰ্গত যে আমাক অনন্ত সুখত ৰাখিব তাক মই বিশ্বাস নকৰোঁ।

ভাৰতক সজাগ কৰিব লাগিব, দৰিদ্ৰসকলক খুৱাব লাগিব, ভাৰতত শিক্ষাবিস্তাৰ কৰিব লাগিব।

প্ৰতি জন (ভাৰতবাসী) লোকেই যাতে আৰু ভালকৈ খাবলৈ পায় আৰু উন্নতি কৰিবলৈ আৰু সুবিধা পায় তাক কৰিব লাগিব।

মানুহ হৈ মানুহৰ কাৰণে প্ৰাণ নাকান্দিলে সিও মানুহ নে?

ঊনৈশ শতিকাৰ শেষ ভাগত দুৰ্ব্বলৰ ওপৰত

প্ৰবলৰ যেনে অত্যাচাৰ, দস্যুতা আৰু জোৰ জুলুম চলিছে, জগতৰ ইতিহাসত আৰু কেতিয়াও এনে হোৱা নাই।

দৰিদ্ৰৰ মাজত জ্ঞানালোক বিস্তাৰ কৰা, ধনী সকলক আৰু বেছিকৈ পোহৰ দিয়া ; কিয়নো দুখীয়াতকৈ ধনীৰ বেছি পোহৰৰ আবশ্যক। অশিক্ষিতৰ মাজত পোহৰ দিয়া, শিক্ষিতক অলপ বেছিকৈ দিয়া; কাৰণ শিক্ষাভিমান বেছিকৈ প্ৰচাৰ হলেই তাৰ জীৱন—সঙ্কোচ হলেই তাৰ মৃত্যু।

মোৰ বিশ্বাস যে, যদি কোনোৱে এই হতশ্ৰী, ভাগ্যহীন, বিবেক বুদ্ধি বিৰহিত, পৰ পদদলিত চিৰ ক্ষুধাপূৰ্ণ, কন্দলপ্ৰিয় আৰু পৰশ্ৰীকাতৰ ভাৰতবাসীক প্ৰাণেৰে সৈতে ভাল পায় তেন্তে ভাৰত আকৌ উঠিব।

যেতিয়া শ শ মহাপ্ৰাণ নৰনাৰীয়ে সকলো বিলাস বাসনা, ভোগ, সুখ ইচ্ছা বলি দি কায়মনোবাক্যে দৰিদ্ৰ আৰু মুৰ্খতাৰ ঘন ডাৱৰে দিনে দিনে ঢাকি লুপ্ত প্ৰায় কৰা কোটি কোটি স্বদেশীয় নৰনাৰীৰ কল্যাণ কামনা কৰিব, তেতিয়া ভাৰত উঠিব।

আগবাঢ়া, প্ৰভু আমাৰ সহায়।

নেতা হবলৈ নাযাবা, সেবা কৰা।

নেতৃত্বৰ পাশব-প্ৰবৃত্তি জীবন সমুদ্ৰত বহুত ডাঙ্গৰ ডাঙ্গৰ জাহাজ বুৰিছে। এই বিষয়ে বিশেষ সতৰ্ক হোৱা। অৰ্থাৎ মৃত্যুকো তুচ্ছ জ্ঞান কৰি নিস্বাৰ্থ হোৱা, কাম কৰাঁ।

নেতা সাজিব নোৱাৰি। নেতা জন্মে। নেতৃত্ব কৰা বৰ টান কাম—দাসস্য দাসঃ--দাসৰো দাস হোৱা আৰু শ শ মানুহৰ মন যোগোৱা। ঈৰ্ষা আৰু স্বাৰ্থ-পৰতা সমূলি থাকিব নালাগিব—তথাপি নেতা প্ৰথমে জন্মৰপৰা, দ্বিতীয়তে নিঃস্বাৰ্থ হোৱা, তেহে নেতা হবৰ যোগ্য হবা।

সংসাৰ লৰা ধেমালী নহয়। যি নিজৰ বুকৰ তেজ দি পথ তৈয়াৰ কৰি যায় তেওঁলোকেই মহৎলোক।

সৈন্যচালক মৃত্যু মুখলৈ আগবাঢ়ি নগলে চিপা-হীয়ে যুদ্ধ কৰেনে? সকলো কামতে সেই। "শিৰদাৰ ত সৰদাৰ।" মূৰ দিব পাৰা যদি নেতা হব পাৰিবা। আমি সকলোৱেই ফাঁকি দি নেতা হবলৈ চাওঁ; তাৰ-পৰা একো নহয়, কোনেও নামানে।

ত্যাগ নহ'লে শক্তি সঞ্চয় নহয়।

প্ৰাচ্য আৰু পাশ্চাত্যৰ আদৰ্শ আকৌ ভিন্ ভিন্।

নেতৃত্ব কৰিবৰ সময়ত,—দাস্যভাবাপন্ন হোৱাঁ,

নিস্বার্থ হোৱাঁ, অটল. ধৈৰ্য্য ধৰাঁ; সিদ্ধি তোমাৰ হাতৰ তলুৱাত।

ভবিষ্যতৰ পঞ্চাশ বছৰ তোমালোকলৈ বাট চাই আছে। ভাৰতৰ ভবিষ্যত তোমালোকৰ ওপৰত. নিৰ্ভৰ কৰিছে। কাম কৰি যোৱাঁ।

যি হুকুম মানি চলিব জানে তেৱেঁই হুকুম. কৰিব জানে। প্ৰথমে আজ্ঞাবহতা শিক্ষা কৰাঁ।

আমি সকলোৱেই 'হাম বৰা'। তাৰপৰা কেতিয়াও কাম নহয়।

মহা উদ্যম, মহা সাহস, মহাবীৰ্য্য আৰু সকলোৰে ওচৰত মহতী আজ্ঞাবহতা, এই গুণ বোৰ ব্যক্তিগত আৰু জাতিগত উন্নতিৰ একমাত্ৰ উপায়। এই গুণবোৰ আমাৰ সমূলি নাই।

আমি সকলোৱেই "আহম্মক"ৰ দল—স্বাৰ্থপৰ, কাপুৰুষ—মুখেৰে স্বদেশ হিতৈষীতাৰ কিছুমান বাজে কথা কবলৈ মুখস্থ কৰি লৈছোঁ।

আমি ইমান বীৰ্য্যহীন যে, কোনো বিষয়ৰ আন্দোলন কৰিবলৈ গলে তাতেই আমাৰ বল ক্ষয় হয়, কাম কৰিবলৈ অলপো বাকী নাথাকে।

আমাৰ জাতিৰ ভিতৰত সঙ্ঘবদ্ধ হৈ কাম কৰিবৰ

PLEASE HANDLE THE BOOK CAREFULLY

শক্তিৰ একেবাৰে অভাৱ। এই এক অভাৱেই সকলো অনৰ্থৰ কাৰণ! পাঁচজন মিলি কোনো কাম কৰা স্বভাৱ আমাৰ সমূলি নাই। এই বাবে আমাৰ দুৰ্দ্দশা।

সঙ্ঘ বদ্ধৰ প্ৰথম আৱশ্যক আজ্ঞাবহতাৰ কাৰণে। নহলে ইচ্ছা হল কিবা কৰিলোঁ—ইচ্ছা নহল নাই! তাৰ দ্বাৰা কাম নহয়। স্থিৰ ধীৰ ভাবে প'ৰশ্ৰম আৰু অধ্যৱসায়েৰে কাম কৰিব লাগে।

এতিয়া সঙ্ঘবদ্ধ হৈ কাম কৰিব লাগে। সঙ্ঘ বদ্ধ হলে শক্তি সঞ্চয় হয়, আজ্ঞাবহতাই ইয়াৰ মূলমন্ত্ৰ।

ডাঙ্গৰ ডাঙ্গৰ কাম পূৰ্ণ স্বাৰ্থত্যাগৰ বাহিৰে হব নোৱাৰে।

সকলো মহাপুৰুষেই চিৰকাল মহৎ মহৎ স্বাৰ্থ-ত্যাগ কৰিছে আৰু সাধাৰণ লোকে তাৰ শুভ ফল ভোগ কৰিছে।

ভাৰত মাতৃয়ে তেওঁৰ উন্নতিৰ কাৰণে তেওঁৰ শ্ৰেষ্ঠ সন্তান সকলৰ জীৱন বলি বিচাৰে।

যেতিয়ালৈকে কোনো জাতি ক্ৰিয়াশীল আৰু তেজী হৈ থাকে তেতিয়ালৈকে সেই জাতিয়ে

বিচিত্ৰতা প্ৰসৱ কৰে ।

জাতিয়ে নিজৰ প্ৰভাৱ বিস্তাৰ কৰোক, জাতীয় উন্নতিৰ বাটত যি বাধা বিঘিনি আছে, সকলো ভাঙি ছিঙি পেলাওক, তেতিয়া আমি উঠিম ।

য'তে চেষ্টা বা পুৰুষকাৰ, য'তে সংগ্ৰাম, ত'তে জীৱনৰ চিন ।

এতিয়া লাগে গীতাৰূপ সিংহনাদ কাৰী শ্ৰীকৃষ্ণৰ পূজা ; ধনুৰ্দ্ধাৰী ৰাম, মহাবীৰ, মা কালী, এই সকলৰ পূজা ! তেহে লোকে মহাউদ্যমেৰে কাম কৰি শক্তিমান হৈ উঠিব পাৰিব ।

মানুহৰ মাজত ৰজোগুণৰ অভ্যুদয় নহলে এই-বোৰ হব পাৰেনে ?

এক প্ৰকাৰৰ স্বাৰ্থ চেষ্টা অন্তৰে অনুভব নকাৰলৈকে মানুহ কেতিয়াও একতা ডোলেৰে আবদ্ধ হব নোৱাৰে । সভা সমিতি 'লেকচাৰ' কৰি সৰ্ব্ব সাধাৰণক কেতিয়াও এক কৰিব নোৱাৰি—যদি সিহঁতৰ স্বাৰ্থ একে নহয় ।

গুৰু গোবিন্দই বুজাই দিছিল যে, সেই কালৰ কি হিন্দু, কি মুছলমান সকলোৱেই ঘোৰ অত্যাচাৰ অবিচাৰৰ ৰাজ্যত বাস কৰিছিল । গুৰু গোবিন্দই

এক প্ৰকাৰ স্বাৰ্থ চেষ্টাৰ সৃষ্টি কৰা নাছিল, মাথোন সৰ্ব্ব সাধাৰণক সেইটো বুজাই দিছিল। সেই কাৰণে হিন্দু মুছলমান সকলোৱে তেওঁক অনুসৰণ কৰিছিল।

তুমি যি চিন্তা কৰিবা সেয়ে হবা। যদি তুমি নিজক দুৰ্ব্বল বুলি ভাবা, তেন্তে তুমি দুৰ্ব্বল হবা; তেজস্বী বুলি ভাবিলে তেজস্বী হবা।

ভাৰতবৰ্ষ যে কেতিয়াবা নিষ্ক্ৰিয় আছিল, সেই কথা মই কোনো মতে স্বীকাৰ নকৰোঁ।

আমি সকলোৱেই এতিয়া কঠোৰ পৰিশ্ৰম কৰিব লাগিব, এতিয়া শুবৰ সময় নহয়। আমাৰ কাৰ্য্য কলাপৰ ওপৰতেই ভাৰতৰ ভবিষ্যত নিৰ্ভৰ কৰিছে।

সোৱা চোৱাঁ ভাৰত মাতৃয়ে লাহে লাহে চকু মেলিছে।

যদি আমি নিজৰ অনিষ্ট নিজে নকৰোঁ, তেন্তে জগতত এনে কোনো শক্তি নাই যি আমাৰ অলপো অনিষ্ট কৰিব পাৰে।

কাৰো ওপৰত দোষ নিদিবা। আমাৰ নিজৰ কামৰ ওপৰত দোষ দিয়াঁ।

আমি নিজৰ ওপৰত বিশ্বাস হেৰুৱাইছোঁ।

নিজৰ ওপৰত বিশ্বাস স্থাপন কৰাঁ—সেই বিশ্বাসৰ বলতে নিজৰ ভৰিৰ ওপৰত ভৰ দি ঠিয় হোৱাঁ, বীৰ্য্যবান হোৱাঁ।

আজি এহেজাৰ বছৰ ধৰি এই ত্ৰিচ্ কোটি ভাৰতবাসীৰ ভূলুণ্ঠিত দেহ যি কোনো এমুঠিমান বিদেশীয়েও পদদলিত কৰিবৰ ইচ্ছা কৰিছে, সিহঁতৰেই আমি পদানত হৈছোঁ কিয়? কাৰণ সিহঁতৰ নিজৰ ওপৰত বিশ্বাস আছে, আমাৰ নাই।

ইউৰোপ আৰু আমেৰিকা এই উভয় জাতিৰ হৃদয়ৰ অভ্যন্তৰ দেশত সিহঁতৰ মহান আত্মবিশ্বাস নিহিত আছে।

সকলো প্ৰকাৰৰ দুৰ্ব্বলতা ত্যাগ কৰাঁ—দুৰ্ব্বলতাই মৃত্যু।

আমাৰ জাতিৰ ভিতৰত ঘোৰ আলস্য, দুৰ্ব্বলতা আৰু মোহ আহি সোমাইছে। বৰ্ত্তমান কালৰ হিন্দুসকল! তোমালোকে এই মোহ-জাল কাটি পেলোৱাঁ। তাৰ উপায় তোমালোকৰ শাস্ত্ৰতে আছে। তোমালোকে নিজ নিজ স্বৰূপৰ চিন্তা কৰাঁ আৰু সৰ্ব্বসাধাৰণক তাকে উপদেশ দিয়াঁ। ঘোৰ মোহনিদ্ৰাত পৰি থকা জীবাত্মাৰ মোহ নিদ্ৰা ভাঙি

দিয়াঁ। আত্মাই সাৰ পালে শক্তি আহিব, মহিমা আহিব, সাধুত্ব আহিব, পবিত্রতা আহিব, যি ভাল সকলোবোৰ আহিব।

নতুন ভাৰতে কয়—পশ্চিমীয়া ভাব, ভাষা, আহাৰ, পোছাক আৰু আচাৰ ললেই আমি পশ্চিমীয়া জাতীৰ দৰে বলবীৰ্য্য সম্পন্ন হমহঁক।

পুৰণি ভাৰতে কয়—মূৰ্খ, অনুকৰণ কৰিলে পৰৰ ভাব নিজৰ নহয়, নিজৰ আৰ্জ্জিত নহলে কোনো বস্তুৱেই নিজৰ নহয়। সিংহৰ চালেৰে গা ঢাকি থলেই গাধা কেতিয়াবা সিংহ হব পাৰেনে ?

নতুন ভাৰতে কয়,—পশ্চিমীয়া জাতি সকলে যি কৰে সেয়ে ভাল ; ভাল নহলে সিহঁত ইমান প্রতাপী কেনেকৈ হল ?

পুৰণি ভাৰতে কয়—বিজুলিৰ পোহৰ বৰ বেছি, কিন্তু ক্ষন্তেকীয়া। লৰা, তোমাৰ চকু প্রতিহত হৈছে সাৱধান।

হে ভাৰত, ইয়েই প্রবল বিভীষিকা। পাশ্চাত্য অনুকৰণ মোহ ইমানেই বেছি হৈছে যে ভাল বেয়াৰ আৰু বুদ্ধিৰ বিচাৰ, শাস্ত্র আৰু বিবেকৰ দ্বাৰা নিষ্পত্তি নহয়।

শ্বেতাঙ্গই যি ভাবৰ আৰু আচাৰৰ প্ৰশংসা কৰে সেয়ে ভাল ; সিহঁতে যি নিন্দা কৰে সেয়ে বেয়া। হায় ভাগ্য ! ইয়াতকৈ আৰু (ভাৰতবাসীৰ) নিবুৰ্দ্ধিতাৰ পৰিচয় কি আছে ?

বল থকাৰ ফালে সকলো যায় ;---গৌৰবান্বিতৰ গৌৰৱৰ জেউতি অলপ মানো গাত লাগেবা ? ছুৰ্ব্বলৰ এয়ে ইচ্ছা ।

যেতিয়া ভাৰতবাসীক ইউৰোপীয় পোছাক পিন্ধি নিজকে চাহাব সজা দেখোঁ, তেতিয়া ভাবোঁ যে ইহঁত প্ৰকৃততে পদদলিত ; বিদ্যাহীন দৰিদ্ৰ ভাৰত-বাসীয়ে নিজৰ স্বজাতীয়ত্ব স্বীকাৰ কৰিবলৈ লজ্জিত ।

পশ্চিমীয়াই এতিয়া শিক্ষা দিছে---অৰ্দ্ধাঙ্গ বস্ত্ৰ পৰিধান কাৰী অজ্ঞান, মূৰ্খ, নীচ জাতি হৈছে অনাৰ্য্য জাতি !! সিহঁত আৰু আমাৰ মানুহ নহয় !!

তোমালোকে কি কৰিছা ? গোটেই জীৱন বাজে বকিছা ।

ভাৰতৰ যেন জৰাজীৰ্ণ অৱস্থা হোৱাত মামৰে ধৰিছে ।

হেজাৰ বছৰৰ গোটখোৱা কুসংস্কাৰৰ বোজা কান্ধত লৈ আছা, হেজাৰ বছৰ ধৰি খাদ্যাখাদ্যৰ

শুদ্ধাশুদ্ধ বিচাৰ কৰি শক্তি ক্ষয় কৰিছাঁ।

শ শ যুগৰ অবিচ্ছেদ সামাজিক অত্যাচাৰত তোমালোকৰ সকলো মনুষ্যত্ব একেবাৰে নষ্ট হৈ গৈছে—বাৰু তোমালোক কোন কোৱাচোঁন ?

তোমালোকে এইবোৰ কৰিছাই বা কি ? * *

তোমালোক মূৰ্খ ! কিতাপ হাতত লৈ সাগৰৰ কাষত তহলি ফুৰিছা।

ইউৰোপীয় মস্তিষ্কৰ পৰা ওলোৱা কোনো তত্ত্বৰ এটা কণা মাত্ৰ, সিও খাঁটি বস্তু নহয়—সেই চিন্তাৰ জীন নোযোৱা অলপমান মুঠেই ক্ৰমে আওৰাইছা।

তোমালোকেৰ মন প্ৰাণ সেই ৩০৲ ত্ৰিচ টকীয়া কেৰাণীগিৰিৰ ফালে আছে; বৰ বেছি এটা অতি দুষ্ট উকীল হবলৈ ইচ্ছা কৰিছা।

এয়ে ভাৰতবাসী ডেকাদলৰ সৰ্ব্বোচ্চ দুৰাকাঙ্ক্ষা।

বোলোঁ, সাগৰত পানীৰ কি অভাব আছে যে তোমালোকৰ কিতাপ, "গাউন", বিশ্ববিদ্যালয়ৰ উপাধী আদি সকলোবোৰ বুৰাই দিব নোৱাৰিব ?

ভাৰতবৰ্ষ জগতৰ এটি ক্ষুদ্ৰ অংশ আৰু ভাৰতৰ একত্ৰিচ কোটি মানুহক গোটেই জগতে অতি ঘিণৰ

চকুৰে চায় ।

জগতবাসীয়ে ভাবে, ভাৰতবাসীয়ে কীট পতঙ্গৰ দৰে নিজৰ মনোৰম ক্ষেত্ৰত ফুৰি ফুৰিছে। সেইবাবে জগতবাসীয়ে ভাৰতবাসীৰ ওপৰত অত্যাচাৰ কৰিবৰ চেষ্টা কৰিছে।

সমাজৰ এই অৱস্থা দূৰ কৰিব লাগিব। হিন্দু ধৰ্ম্মই পৈশাচিক ভাবে দীন দৰিদ্ৰ আৰু পতিতৰ ডিঙিত যেনেকৈ গছকা মাৰি ধৰে, জগতৰ আন কোনো ধৰ্ম্মই নধৰে।

নিৰাশ নহবা !

সামাজিক উন্নতিৰ আৰু সাম্যবাদৰ মঙ্গলময়ী বাণী ঘৰে ঘৰে প্ৰচাৰ কৰাঁ।

গণ্যমান্য, উচ্চ পদৱী বা ধনীক ভৰসা নকৰিবা। ভৰসা তোমালোকৰ ওপৰত। পদমৰ্য্যদা হীন, দৰিদ্ৰৰ তোমালোকৰ ওপৰতহে বিশ্বাস ! কোনো কৌশলৰ প্ৰয়োজন নকৰে। কৌশলত একো নহয়।

দুখীয়াৰ কাৰণে তোমাৰ প্ৰাণ কান্দক আৰু ভগবানৰ ওচৰত তুমি সাহায্য প্ৰাৰ্থনা কৰাঁ ! সাহায্য আহিবই।

হৃদয়ত এই ভাব আৰু মূৰত এই চিন্তা লৈ মই

বাৰ বছৰ ঘূৰিছোঁ।

পাশ্চাত্য সভ্যতাৰ ভিতৰত যিমানেই চাক্‌ চিকণ আৰু উজ্জ্বলতা থাকক আৰু সি যিমানেই অদ্ভুত অদ্ভুত কাম কৰি দেখুৱাওক সকলো মিছা, ভ্ৰম—ভ্ৰম মাথোন।

ছাহাবী ভাবৰ মানুহৰ ৰাজহাড় নাই—সি চাৰিউফালৰপৰা কিছুমান জপতিয়াই যি ভাবকে পায় লৈছে—তাৰ ভিতৰত মিল নাই, শৃঙ্খলা নাই —সেইবোৰ তাৰ নিজৰ কৰি লব পৰা নাই—কিছুমান ভাব অলপো জীণ যোৱা নাই। তেনে মানুহে নিজৰ ভৰিৰ ওপৰত নিজে ঠিয় হব নোৱাৰে। তাৰ মূৰ দিনেৰাতিয়ে ভোঁ ভোঁ কৰি ঘূৰিছে। সি যিবোৰ কাম কৰে তাৰ গূঢ় কাৰণ কি শুনিবানে? আমাৰ হৰ্ত্তা কৰ্ত্তা বিধাতা ইংৰাজে কেনেকৈ তাৰ পিঠি চপৰিয়াই তাক বাহ্‌বা দিব সেয়ে তাৰ সকলো কাম কৰাৰ লক্ষ্য।

যি আনক স্বাধীনতা দিব নোখোজে, সি নিজে স্বাধীনতা পাবৰ কেনেকৈ যোগ্য হয়?

মুঠেই আমাৰ হাতত ৰাজ্য শাসনৰ ভাৰ দিয়াঁ বুলিলেই চলিব নে? কোনে বা তেনে কথা শুনে?

মানুহে কাম কৰিলে তাক মুখ ফুটাই আকৌ কব লাগিছেনে ?

এই পাশ্চাত্য ভাবমোহ বিকৃত-মস্তিষ্ক মানুহ বোৰ এতিয়াও কোনো নিৰ্দ্দিষ্ট জীৱৰ শাৰীত পৰা নাই। সিহঁতক পুৰুষ বুলিমনে, তিৰোতা বুলিম, নাইবা পশু বুলিম ?

আমাৰ নিৰ্ব্বোধ ডেকাদলে ইংৰাজ জাতিৰপৰা বেছিকৈ ক্ষমতা লাভৰ কাৰণে সভা সমিতি পাতে—ইংৰাজে দেখি হাঁহে।

যি আনক স্বাধীনতা দিব নোখোজে সি কোনো-মতেই স্বাধীনতাৰ উপযুক্ত নহয়।

আনক দাস কৰি ৰাখিবলৈ দাসে শক্তি বিচাৰে।

আঁহা, মানুহ হোঁৱা।

নিজৰ ঠেক গাঁতৰ পৰা ওলাই আহাঁ! বাহিৰলৈ গৈ চোৱাঁচোন ; সকলো জাতি কেনেকৈ উন্নতি বাটত আগুৱাইছে।

তোমালোকে দেশক ভাল পোৱানে ? সঁচাকৈয়ে ভাল পোৱানে ?

তেন্তে আঁহা, আমি ভাল হবৰ কাৰণে, উন্নত হবৰ কাৰণে প্ৰাণপণে চেষ্টা কৰোঁ।

আমি মিছায়ে চিঞৰি শক্তি ক্ষয় নকৰি, ধীৰ ভাবে মানুহৰ দৰে কামত লাগি যাওঁ।

ভাৰতমাতাই অন্ততঃ এহেজাৰ ডেকাৰ বলি বিচাৰিছে। মনত ৰাখিবা—সেই এহেজাৰ মানুহ লাগিব, পশু নহয়।

তোমালোকৰ এই অচল অটল সভ্যতা ভাঙ্গিবলৈ ভগবানে ইংৰাজ গবৰ্ণমেণ্টক পঠাইছে।

ধীৰ, নীৰব আৰু দৃঢ় চিত্তেৰে কাম কৰিব লাগিব। খবৰা কাগজেৰে হৈ চৈ তুলিলে নহয়—নাম যশ লাভ কৰা আমাৰ উদ্দেশ্য নহয়।—প্ৰিয় সন্তানসকল! কোনো ডাঙৰ কামেই কঠোৰ পৰিশ্ৰম আৰু কষ্ট স্বীকাৰ নকৰিলে নহয়—জানিবা।

সন্তান! সাহক সাৰথি কৰাঁ—বিশ্বাস কৰাঁ, আমিয়েই মহৎ কাম কৰিম। আমি দীন দৰিদ্ৰ, আনে আমাক ঘিণ কৰে; কিন্তু আমি লোকৰ দুখ যথাৰ্থতে প্ৰাণে প্ৰাণে বুজোঁ।

নিজকে এটা কৃষ্ণ বিষ্ণু (কিষ্ট বিষ্টু) বুলি নাভাবিবা। তুমি সেৱা কৰিবৰ অধিকাৰ পাইছা আনে পোৱা নাই গতিকে তুমি ধন্য। সেই কাৰণে কোনেও তোমাৰ সাহায্য প্ৰাৰ্থনা নকৰে। সেয়ে

তোমাৰ পূজা স্বৰূপ। মই কিছুমান দীন দৰিদ্ৰক দেখিছোঁ। মোৰ নিজৰ মুক্তিৰ কাৰণে মই দীন দৰিদ্ৰৰ পূজা কৰিম; ঈশ্বৰ তাতেহে থাকে। কিছুমান মানুহে আমাৰ মুক্তিৰ কাৰণেই দুখ ভুগিছে— যাতে আমি ৰোগী, পাগল, কুষ্ঠ ৰোগে খোৱা, পাপী ইত্যাদি ৰূপধাৰী প্ৰভুৰ পূজা কৰিব পাৰোঁ। মোৰ কথাবোৰ বৰ টান হৈছে, কিন্তু মই নকৈও নোৱাৰোঁ। কাৰণ বিভিন্নৰূপে যে আমি প্ৰভুৰ সেৱা কৰিবলৈ পাওঁ সেয়ে আমাৰ জীৱনৰ পৰম সৌভাগ্যৰ কথা।

হে হিন্দুসকল! আমাৰ এই জাতীয় মহাৰ্ণবে শ শ যুগ ধৰি হিন্দু জাতিক পাৰ (উদ্ধাৰ) কৰিছে, মই সেই কথা তোমালোকক সোঁৱৰাই দিলোঁ। আজি কালি তাত দুই এটা ছিদ্ৰ হব পাৰে, মহাৰ্ণব খনি অলপ জীৰ্ণও হব পাৰে। যদি সঁচাকৈয়ে তেনে হৈছে তেন্তে প্ৰাণে প্ৰাণে চেষ্টা কৰি সেই ছিদ্ৰ মৰা আৰু জীৰ্ণ সংস্কাৰ কৰা ভাৰত সন্তান সকলৰেই কৰ্ত্তব্য। এই বিপদৰ কথা আমাৰ স্বদেশবাসীক কব লাগিব; স্বদেশবাসী সাৰ পাই উঠক তেওঁলোকে এইফালে কাণ কৰক। মই ভাৰতৰ এমূৰৰপৰা আনমূৰলৈ উচ্চৈঃস্বৰেৰে মাতি ভাৰতবাসীক, উঠি

নিজৰ অৱস্থা বুজি বৰ্ত্তমান ক্ষেত্ৰত কাম কৰিবলৈ কম। যেনিবা মানুহে মোৰ কথা নুশুনিলে ; সেই বুলি সিহঁতক গালি বা অভিশাপ নিদিওঁ। অতীত কালত আমাৰ জাতিয়ে মহৎ মহৎ কামবোৰ কৰিছিল। যদি ভবিষ্যতলৈ আমি মহৎ কাম কৰিব নোৱাৰোঁ তেন্তে শান্তিৰে একেলগে ডুবি মৰিম তাতেই আমি সান্ত্বনা পাম যে আমি একে লগে ডুবি মৰিছোঁ।

স্বদেশহিতৈষী হোৱাঁ! যি জাতিয়ে অতীত কালত আমাৰ কাৰণে ইমান ডাঙৰ ডাঙৰ কাম কৰি থৈ গৈছে সেই জাতিক অন্তৰেৰে সৈতে ভাল পোৱা। হে মোৰ স্বদেশবাসীসকল! যিমানেই আমাৰ জাতিৰে আন জাতিক তুলনা কৰি চাওঁ তিমানেই তোমালোকলৈ ভাল পোৱা ভাবৰ সঞ্চাৰ হয়। তোমালোক শুদ্ধ, শান্ত, সৎস্বভাবী। আৰু তোমালোকেই চিৰকাল অত্যাচাৰত পীড়িত হৈছা—এই মায়াময় জড়জগতত এয়ে মহা প্ৰহেলিকা! সেইবোৰ হবলৈ দিয়াঁ, তোমালোকে সেইবোৰ গ্ৰাহ্যই নকৰিবা—শেষত আধ্যাত্মিকতাৰ জয় হবই। এই অবসৰতে আমি কাম কৰিব লাগিব—আমাৰ

দেশৰ নিন্দা কৰিলে নচলিব। আমাৰ এই পৰম পৱিত্ৰ মাতৃভূমিৰ বাত্যাহত, কৰ্ম্মজীৰ্ণ আচাৰ আৰু প্ৰথাবোৰৰ নিন্দা নকৰিবা। অতি কুসংস্কাৰ পূৰ্ণ আৰু অযুক্তিকৰ প্ৰথাৰ বিৰুদ্ধেও এটি নিন্দাসূচক কথা নকবা। কাৰণ সেইবোৰৰপৰাও অতীতত আমাৰ অলপ নহয় অলপ কল্যাণ সাধিত হৈছিল। সদায় মনত ৰাখিবা যে আমাৰ সামাজিক প্ৰথা বোৰৰ উদ্দেশ্য যেনে মহৎ, পৃথিবীৰ আন কোনো দেশৰেই তেনে নহয়।

হে মোৰ স্বদেশবাসী সকল! হে মোৰ বন্ধু সকল, হে মোৰ সন্তানসকল! এই জাতীয় অৰ্ণবপোতেই লক্ষ লক্ষ মানবাত্মাক জীৱনস্নদীত পাৰ কৰিছে; ইয়াৰ সহায়তেই বহুতো কাল ধৰি লক্ষ লক্ষ মানৱ-জীৱন নদীৰ আন পাৰত থকা অমৃতধামলৈ যাব পাৰিছে। আজি তোমাৰ নিজৰ দোষতেই তাত দুই এটা ছিদ্ৰ বা বিন্ধা হব পাৰে, হয়তো অলপ বেয়াও হব পাৰে। সেই বুলিয়েই এতিয়া তাৰ নিন্দা কৰিবানে? জগতৰ সকলো বস্তুতকৈ যি বস্তু আমাৰ অধিক কামত লাগে সেই বস্তুক অভিশাপ দিয়া উচিত জানো? যদি এই জাতীয় অৰ্ণবপোতত,

এই সমাজত ছিদ্রও আছে, তথাপি আমি এই সমাজৰেই সন্তান। আমিয়েই সেই ছিদ্র মাৰিব লাগিব আমি আমাৰ মস্তিষ্কৰূপী কাঠেৰে এই জাতীয় অর্ণবপোতৰ ছিদ্রবোৰ মাৰিম, কেতিয়াও নিন্দা নকৰোঁ। এই সমাজৰ বিৰুদ্ধে এটাও টান কথা নকবা; ইয়াৰ অতীত মহত্বৰ কাৰণে ইয়াক মই ভাল পাওঁ। তোমালোক সকলোকে মই ভাল পাওঁ; কাৰণ, তোমালোক দেৱতাৰ বংশৰ, তোমালোকে মহামহিমান্বিত পূর্ব্ব পুৰুষসকলৰ সন্তান। তোমা-লোকৰ সকলো প্রকাৰে মঙ্গল হওক। তোমালোকক নিন্দা কৰিম বা গালি পাৰিম?—কেতিয়াও নহয়।

মই তোমালোকক ডাঠি কব পাৰোঁ যে আমি দুর্ব্বল, অতি দুর্ব্বল। প্রথমতে আমাৰ শাৰীৰিক দুর্ব্বলতা। এই শাৰীৰিক দুর্ব্বলতা আমাৰ অন্ততঃ এক তৃতীয়াংশ দুখৰ কাৰণ। আমি এলেহুৱা; আমি কাম কৰিব নোৱাৰোঁ। অমি একমুঠ হব নোৱাৰোঁ; আমি পৰস্পৰে পৰস্পৰক ভাল নাপাওঁ; আমি ঘোৰ স্বার্থপৰ; আমি তিনিজন একে লগ হলেই পৰস্পৰে পৰস্পৰক ঘিণ কৰোঁ, পৰস্পৰক হিংসা কৰোঁ।

ইয়াৰ কাৰণ কি? শাৰীৰিক দুর্ব্বলতাই ইয়াৰ

কাৰণ। দুৰ্ব্বল মস্তিষ্কেৰে একো কৰিব নোৱাৰি; তাক সলাই আমাৰ মস্তিষ্ক সবল কৰিব লাগিব; ধৰ্ম্ম পিচৰ কথা। মোৰ ডেকা বন্ধুসকল, তোমা-লোক সবল হোৱাঁ, এয়ে তোমালোকৰ প্ৰতি মোৰ উপদেশ।

তোমালোকে মোৰ কথাত বিশ্বাস কৰিবানে? ইংৰাজতকৈ আমি কম বিশ্বাসী; হেজাৰ গুণে কম বিশ্বাসী। মই সঁচা কথাই কব লগাত পৰিল, নকলেও উপায় নাই। তোমালোকে দেখা নাইনে যেতিয়া ইংৰাজৰ ভিতৰৰ কোনোৱে আমাৰ ধৰ্ম্মতত্ত্বৰ অলপ অচৰপো বুজিব পাৰে তেতিয়া সিহঁতে তাকে লৈ উন্মত্ত হৈ উঠে, আৰু যদিও সিহঁত ৰজাৰ জাতি তথাপি সিহঁতৰ স্বদেশীয় লোকৰ উপহাস আৰু বিদ্রুপ উপেক্ষা কৰিও ভাৰতত আমাৰ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আহে। তোমালোকৰ মাজৰ কেই জনে এনে কৰিব পাৰা?

এই কথাটো মুঠেই আৰি চোৱাঁ। তোমালোকে বাৰু কিয় কৰিব নোৱাৰা? তোমালোকে নাজানা বুলিয়েই কৰিব নোৱাৰানে? নহয়, সিহঁতকৈ তোমালোকে বেছি জানা, সেই কাৰণে কামত কৰিব

PLEASE HANDLE THE BOOK CAREFULLY

নোৱাৰা। তোমালোকে যিমান জানিলে তোমালোকৰ মঙ্গল তাতকৈ তোমালোকে বেছি জানা; সেয়ে তোমালোকৰ আপদ। তোমালোকৰ তেজ দুষিত; মস্তিষ্ক বিকৃত আৰু শৰীৰ দুৰ্ব্বল। শৰীৰটো পৰিবৰ্ত্তন কৰি পেলোৱাঁ; শৰীৰটো পৰিবৰ্ত্তন কৰিবই লাগিব। শাৰীৰিক দুৰ্ব্বলতাই সকলো অনিষ্টৰ মূল, আন একো নহয়। তোমালোক দুৰ্ব্বল, দুৰ্ব্বল অতি দুৰ্ব্বল, সেয়ে সকলো অনিষ্টৰ মূল। তোমালোকৰ শৰীৰ,—মন দুৰ্ব্বল, তোমালোকৰ আত্মবিশ্বাস একেবাৰেই নাই। শ শ বছৰ ধৰি অভিজাত জাতি আৰু বৈদেশিক ৰজাসকলে তোমালোকক অত্যাচাৰ কৰি পিহি পেলাইছে; হে ভাইহঁত, তোমালোকৰ আত্মীয় স্বজনেই তোমালোকৰ সকলো বল হৰণ কৰিছে। তোমালোক এতিয়া পদদলিত, ৰাজহাড় নোহোৱা কীটৰ দৰে ভগাদেহা লৈ আছা। তোমালোকক এতিয়া কোনে বল দিব? মই কওঁ আমাক এতিয়া বল লাগে, বীৰ্য্য লাগে; ইংৰাজজাতি আৰু তোমালোকৰ মাজত কিয় ইমান প্ৰভেদ? তেওঁলোক, তেওঁলোকৰ ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব, প্ৰবল কৰ্ত্তব্য জ্ঞান ইত্যাদি বিবিধয়তে বোলা উভয় জাতিৰ ভিতৰত প্ৰভেদ

যে আছে তাক মই জানিব পাৰিছোঁ।

প্ৰভেদ ইমানেই, ইংৰাজ নিজৰ ওপৰত বিশ্বাসী তোমালোক নোহোৱা। ইংৰাজে বিশ্বাস কৰে, সিহঁত ইংৰাজ যেতিয়া সিহঁতে যি ইচ্ছা তাকে কৰিব পাৰে, এই বিশ্বাসৰ বলতে সিহঁতৰ অন্তর্নিহিত ব্ৰহ্ম সজাগ হয়, আৰু তেতিয়া সিহঁতে যি ইচ্ছা তাকে কৰিব পাৰে। তোমালোকক আনে কৈ আহিছে আৰু শিক্ষা দিছে যে তোমালোকৰ একো কৰিবৰ ক্ষমতা নাই; গতিকে তোমালোক অকামিলা হৈ পৰিছা। কাজেই আত্মবিশ্বাসী হোৱাঁ। শক্তি সঞ্চাৰ কৰাই আমাৰ বৰ্ত্তমান কৰ্ত্তব্য। আমি দুৰ্ব্বল হৈ পৰিছোঁ কাৰণেই আমাৰ মাজত গুপ্তবিদ্যা, ৰহস্য বিদ্যা, ভূতৰ কাণ্ড আদি আহি সোমাইছে। সেইবোৰৰ মাজত অতি মহান সত্য থাকিব পাৰে, কিন্তু সেইবোৰেই আমাক প্ৰায় ধ্বংশ কৰিছে। তোমালোকৰ ধমনিত ৰক্ত সঞ্চাৰ কৰা। আমাৰ আৱশ্যক—লোহা আৰু বজ্ৰৰ দৰে এই শৰীৰ আৰু শিৰা দৃঢ় কৰি তোলা। আমি বহুত দিন ধৰি কান্দি আহিছোঁ। এতিয়া কান্দিবৰ দিন নাই, নিজৰ ভৰিৰ ওপৰত ভৰ দি এতিয়া ঠিয় হৈ মানুহ হোৱাঁ! যি ধৰ্ম্মই আমাক মানুহ

কৰিব পাৰে এতিয়া তেনে ধৰ্ম্মহে আমাক লগা হৈছে। যিবোৰ মতবাদৰ পৰা আমি মানুহ হব পাৰোঁ। আমাক এতিয়া তেনে বিধৰ সকলো মতবাদৰ আৱশ্যক। যি শিক্ষাই মানুহ গঢ়ি উলিয়ায় তেনে সৰ্ব্বাঙ্গ সম্পন্ন শিক্ষাৰহে আমাৰ প্ৰয়োজন। শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দুৰ্ব্বলতা তোমাৰ যিবোৰ কাৰণত আহিব পাৰে তেনে বিষয়বোৰ তুমি বিষজ্ঞান কৰি ত্যাগ কৰাঁ; তেতিয়াহে তুমি সেই বিষয়ে সত্যতা বুজিব পাৰিবা। যিবোৰ বিষয়ত দুৰ্ব্বলতা আছে সেই বোৰ বিষয় কেতিয়াও সত্য হব নোৱাৰে। সত্যই বল দিয়ে, সত্যত দুৰ্ব্বলতা নাহে। সত্যই পবিত্ৰতা বিধান কৰে; সত্যই জ্ঞান স্বৰূপ। সত্য নিশ্চয় বলদায়ক, সত্যই হৃদয়ৰ অন্ধকাৰ দূৰ কৰে আৰু তেতিয়া হৃদয় সবল হয়।

মানুহে স্বদেশ হিতৈষীতাৰ কথা কয়। মই স্বদেশ হিতৈষীতাক বিশ্বাস কৰোঁ। স্বদেশ হিতৈষীতা সম্বন্ধে মোৰো নিজৰ মত আছে। মহৎ কাম কৰিবলৈ গলে তিনটা বস্তুৰ বিষয়ৰ আৱশ্যক। বুদ্ধি আৰু বিচাৰ শক্তিয়ে আমাক কিমান সাহায্য কৰিব পাৰে? সি আমাক কেই খোজমান আগবঢ়াই নিয়ে

মাখোন, কিন্তু হৃদয় দুৱাবৰ পৰা মহাশক্তিৰ প্ৰেৰণা আহিবলৈ ধৰে। প্ৰেমে অসম্ভৱকো সম্ভৱ কৰে— প্ৰেমিকৰ ওচৰত জগতৰ সকলো ৰহস্যই উন্মুক্ত। হে ভাবী সংস্কাৰকসকল! হে ভাবী স্বদেশ হিতৈষী সকল! তোমালোক হৃদয়বান হোৱাঁ, প্ৰেমিক হোৱাঁ। কোটি কোটি দেৱতা আৰু ঋষিৰ বংশধৰ সকল পশুৰ দৰে যে হৈছে তাক তোমালোকে হাড়ে হাড়ে বুজিছানে? কোটি কোটি মানুহ খাবলৈ নাপাই মৰিছে আৰু কোটি কোটি মানুহে শ শ বছৰ ধৰি অৰ্দ্ধাঙ্গ ঢাকি যে কটাইছে তাক তুমি প্ৰাণে প্ৰাণে অনুভৱ কৰিছানে? গোটেই ভাৰত আকাশ অজ্ঞান, ক'লামেঘে ছাটি পেলাইছে; তাক তুমি প্ৰাণে প্ৰাণে বুজিছানে? তোমালোকে এইবোৰ ভাবি অস্থিৰ হৈছানে? এইবোৰ ভাবোতে তোমাৰ টোপনি নোহোৱা হৈছেনে?

এই ভাব তোমাৰ তেজৰ লগত মিহলি হৈ তোমাৰ শিৰে শিৰে বৈছেনে? তোমাৰ হিয়াৰ প্ৰতি ঘাত-প্ৰতিঘাতত তোমাৰ হিয়াৰ প্ৰতি স্পন্দনৰ লগত এই ভাব মিল হৈ গৈছেনে? এই ভাবে তোমাক পাগল কৰিছেনে? দেশৰ দুৰ্দশাৰ চিন্তাই তোমা-

লোকৰ একমাত্র ধ্যান হৈছেনে? আৰু সেই চিন্তাত বিভোৰ হৈ তোমালোকে তোমাৰ নাম, যশ, স্ত্রী, পুত্র, বিষয় সম্পত্তি, আনকি নিজৰ দেহাকো পাহৰিব পাৰিছানে? তোমালোকৰ এনে হৈছেনে? যদি এনে হৈছে তেনে জানিবা যে, স্বদেশীহিতৈষী হোৱাৰ প্রথম খোপত মাখোন ভৰি দিছাহে। তোমালোকৰ বহুতে জানা যে মই আমেৰিকাত মহাসভা হৈছিল বুলি তালৈ যোৱা নাছিলোঁ। দেশৰ সর্ব্বসাধাৰণৰ দুর্দ্দশা প্রতীকাৰৰ কাৰণে মোৰ ডিঙ্গিত যেন এটা ভূতহে উঠিছিল! মই কেবাবছৰো গোটেই ভাৰত-বর্ষত ঘূৰিছিলোঁ। কিন্তু মোৰ স্বদেশবাসী ভাই সকলৰ প্রতি কাম কৰিবলৈ কোনো সুযোগ নাপালোঁ। সেইবাবে মই আমেৰিকালৈ গৈছিলোঁ। তেতিয়া তোমালোকৰ ভিতৰত যি মোক জানিছিল, তেওঁলোকে নিশ্চয় মোৰ এই কথা জানে। ধর্ম্ম মহাসভা হল বা নহল কোনে তাকে লৈ মূৰ ঘমায়? ইয়াত মোৰ নিজৰ ৰক্তমাংস স্বৰূপ মোৰ দেশবাসী দিনে দিনে তললৈ গৈছে; তাৰ খবৰ কোনে লয়? এয়ে স্বদেশ হিতৈষী হবৰ প্রথম থাপ। তোমালোকে দেশৰ দুর্দ্দশাৰ কথা প্রাণে প্রাণে বুজিছা বুলি বাৰু

মানিলোঁ। কিন্তু তোমালোকক সোধোঁ, তোমালোকে সেই দুৰ্দ্দশা গুচাবলৈ কিবা উপায় স্থিৰ কৰিছানে? অকল বৃথা বাক্যব্যয় কৰি শক্তি নষ্ট কৰাতকৈ কোনো কাৰ্য্যকৰী পথ উলিয়াব পাৰিছানে? আনক গালি নপৰাকৈ যথাৰ্থৰূপে আনৰ সহায় হব পাৰিছানে? দেশবাসীসকল এতিয়া জীয়াতে মৰা; এনে দুখৰ সময়ত তেওঁলোকক আশ্বাস দিব পাৰানে? ইমানতো একো নহয়। তোমালোকে পৰ্ব্বত প্ৰমাণ বাধাবিঘিনি নেওচি কাম কৰিবলৈ সাজু আছানে? গোটেই জগৎ তোমাৰ বিপক্ষ হৈ ঠিয় হলেও তুমি যাক সত্য বুলি মানি লৈছা সেই কাম কৰি থাকিব পাৰিবানে? তাৰবাবে তোমাৰ সকলো ধন, মান গলেও আৰু তোমাৰ পুত্ৰ পৰিবাৰ বিপক্ষে উঠিলেও তুমি তাতে লাগি থাকিব পাৰিবানে? ৰজা ভৰ্ত্তৃহৰিয়ে কৈ গৈছে যে "নীতিনিপুনলোকে নিন্দাই কৰক বা প্ৰশংসাই কৰক লক্ষ্মী ঘৰত বাস কৰক বা নকৰক, মৃত্যু আজিয়েই হওক বা এযুগতে হওক তাতে নাচাই যি সত্যপথে যায় তেৱেঁই ধীৰ সাধু।" তুমিও সেইদৰে অলপো বিচলিত নহৈ নিজৰ লক্ষ বাটেদি ধীৰ, দৃঢ়চিত্তে গৈ থাকিব পাৰিবানে?

তোমাৰ ইমানখিনি দৃঢ়তা আছেনে ? যদি তোমাৰ এই তিনিটা বস্তু আছে তেন্তে তোমালোকৰ একো-জনেই অসাধ্য সাধন কৰিব পাৰিবা। তোমালোকৰ বাতৰি কাকতত লিখিবৰ বা বক্তৃতা দি ঘূৰিবৰ একো আৱশ্যক নাই। তোমালোকৰ মুখত এক অপূৰ্ব্ব স্বৰ্গীয় জ্যোতি পৰিব। তোমালোকে এই চিন্তাৰে গৈ পৰ্ব্বতৰ গুহাত বাস কৰিলেও তোমালোকৰ চিন্তাৰাশি পৰ্ব্বত ভেদ কৰি জগতত প্ৰচাৰিত হব। হয়তো কোনো আশ্ৰয় নাপাই শ শ বছৰ ধৰি তোমা-লোকৰ চিন্তাৰাশিয়ে সূক্ষ্ম আকাৰ ধৰি গোটেই বিশ্ব জগৎ বিচৰণ কৰিব। কিন্তু এদিন নহয় এদিন ই কাৰোবাৰ মূৰত সোমাব। তেতিয়া সেই চিন্তা অনুযায়ী কাম হবলৈ ধৰিব। অকপটতা, সাধু অভিসন্ধি আৰু চিন্তাৰ শক্তি অসাধাৰণ।

মই তোমালোকৰ এজন অযোগ্য দাস; তাৰ বাবে মই গৰ্ব্ব অনুভব কৰোঁ। তোমালোক ঋষিৰ বংশধৰ—সেই অসাধাৰণ মহিমাময় পূৰ্ব্ব পুৰুষসকলৰ বংশধৰ—মই যে তোমালোকৰে দেশমাতৃকাৰ অযোগ্য সন্তান তাৰবাবেই মই নিজকে ধন্য মানিছোঁ। এতেকে তোমালোকো আত্মবিশ্বাসী হোৱাঁ। তোমা-

লোকৰ পূৰ্ব্ব পুৰুষসকলৰ নাম লৈ লজ্জিত হোৱাতকৈ গৌৰবান্বিত হোৱা, ধন্য হোৱা।

আৰু অনুকৰণ নকৰিবা ; অনুকৰণ কৰিবৰ আৱশ্যক নাই। তোমালোকে পৰৰ ভাবাপন্ন হৈ চলিলেই তোমালোকৰ স্বাধীনতা হেৰুৱাবা। আন নালাগে আধ্যাত্মিক বিষয়তো যদি তুমি আনৰ আজ্ঞা মানি চলা তেন্তে তোমাৰ সকলো শক্তি আনকি চিন্তা শক্তিও হেৰুৱাবা।

তোমালোকৰ ভিতৰতে যি আছে তাকে নিজৰ শক্তিৰে প্ৰকাশ কৰা, কিন্তু অনুকৰণ নকৰিবা। সেইবুলি আনৰ যিটো ভাল তাক গ্ৰহণ কৰিবা। আনৰপৰাও আমি শিকিব লাগিব।

প্ৰথমতে তোমালোকে স্বজাতীয় নৰৰূপী দেবতা-সকলৰ পূজা কৰিব লাগিব। তেওঁলোকে কেউফালে তোমাৰেই অনিষ্ট কৰে কৰক ; তোমাক অভিশাপ কৰক তথাপি তুমি তেওঁলোকক প্ৰেমৰ বাণী শুনোৱাঁ।

'ভাৰত উদ্ধাৰ' কেনেকৈ হব পাৰে তাক যি যেনেকৈ বুজে কওক। মই মোৰ গোটেই জীৱন কাম কৰিছোঁ ; অন্ততঃ কাম কৰিবলৈ চেষ্টা কৰিছোঁ।

সেই কাৰণে মোৰ নিজৰ অভিজ্ঞতাৰপৰা কব পাৰোঁ যে যেতিয়ালৈকে তোমালোক ধাৰ্ম্মিক নোহোৱা তেতিয়ালৈকে ভাৰতৰ উদ্ধাৰ নহয়। অকল ভাৰত নহয়—ইয়াৰ ওপৰতে গোটেই জগতৰ কল্যাণ নিৰ্ভৰ কৰিছে। থৰ-থৰ কৰাৰ প্ৰয়োজন নাই; আনক অনুকৰণ কৰিবলৈও নাযাবা। আমি এইটো কথা মনত ৰাখিব লাগে যে আনক অনুকৰণ কৰাই উন্নতিৰ চিন নহয়। আমি নিজে ৰজাৰ বেশ ভূষণ পিন্ধিলেই ৰজা হৈ যামনে? সিংহৰ ছালেৰে গা ঢাকিলেই গাধা সিংহ নহয়। হীন, কাপুৰুষৰ দৰে অনুকৰণ কৰা উন্নতিৰ কাৰণ হব নোৱাৰে। বৰং ই মানুহৰ ঘোৰ অধঃপতনৰ চিন। মানুহে নিজক ঘিণ কৰিবলৈ ধৰিলে বুজিব লাগিব যে সিহঁতৰ ওপৰত শেষ শাওপাত পৰিছে; যেতিয়া কোনো এটা জাতিয়ে নিজৰ পূৰ্ব্ব পুৰুষ সকলক পূৰ্ব্ব পুৰুষ হিচাপে স্বীকাৰ কৰিবলৈ লাজ কৰে তেতিয়া বুজিব লাগে—সেই জাতিৰ ধ্বংস অনিবাৰ্য্য।

হে ডেকাসকল, তোমালোকে ধনী আৰু ডাঙৰীয়া সকলৰ মুখলৈ চাই থাকিলেই নহয়; দৰিদ্ৰ সকলেই চিৰ দিন মহান্ বিৰাট অনুষ্ঠান বোৰৰ সাধনা কৰি

আহিছে ।

হে দীনদুখীয়া ভাৰতবাসী, উঠা ! তোমালোকে সকলো কৰিব পাৰা আৰু এতিয়া তোমালোকেই কৰিব লাগিব । তোমালোক দৰিদ্ৰ হলেও সকলোৱে তোমালোকৰ পটন্তৰ লব । দৃঢ় হোৱাঁ ; তাতোকৈ হোৱাঁ—পবিত্ৰ আৰু সম্পূৰ্ণ অকপট ; বিশ্বাস কৰাঁ। তোমালোকৰ ভবিষ্যত অতি গৌৰৱময় । হে ডেকা-সকল, তোমালোকৰপৰাই ভাৰতৰ উদ্ধাৰ হব । তোমালোকে বিশ্বাস কৰা—তোমালোকৰ ধন বস্তু নাই কাৰণেই তোমালোক দৰিদ্ৰ আৰু সেই কাৰণেই তোমালোকে কাম কৰিবা । তোমালোকৰ একো নাই বুলিয়েই তোমালোক অকপট হব পাৰিবা আৰু সকলো ত্যাগ কৰিবলৈ সাজু হবা । **হে ভাৰত !** নাপাহৰিবা তোমাৰ নাৰী জাতিৰ আদৰ্শ সীতা, সাবিত্ৰী, দময়ন্তী ; নাপাহৰিবা—তোমাৰ উপাস্য উমানাথ সৰ্ব্বত্যাগী শঙ্কৰ ; নাপাহৰিবা তোমাৰ বিবাহ, তোমাৰ ধন, তোমাৰ জীৱন, ইন্দ্ৰিয় সুখ বা নিজৰ ব্যক্তিগত সুখৰ কাৰণে নহয় । পাহৰি নাযাবা জন্ম হোৱাৰপৰাই তুমি "**আইৰ**" কাৰণে বলি হৈ আহিছাঁ ; তোমাৰ সমাজ সেই বিৰাট আইৰে ছাঁয়া

মাথোন ; পাহৰিলে নহব—নীচ জাতি, মুৰ্খ, দৰিদ্ৰ, অজ্ঞ, মুচি, মেতোৰো তোমাৰ তেজমাংস, তোমাৰেই ভাই। **হে বীৰ, সাহক সাৰথী কৰা, সদৰ্পে কোৱা আমি ভাৰতবাসী আৰু ভাৰতবাসী সকলোৱেই মোৰ ভাই**; কোৱা মূৰ্খ ভাৰতবাসী, দৰিদ্ৰ ভাৰত-বাসী, ব্ৰহ্মণ ভাৰতবাসী, চণ্ডাল ভাৰতবাসী মোৰ ভাই ; তুমিও তোমাৰ অৰ্দ্ধাঙ্গ ঢাকি নিজক সৌভাগ্য-বান বুলি কোৱাঁচোন—ভাৰতবাসী মোৰ ভাই, ভাৰতবাসী মোৰ প্ৰাণ, ভাৰতৰ দেব দেবী সকলো মোৰ ঈশ্বৰ, ভাৰতৰ সমাজ মোৰ লৰাকালৰ শান্তিময় শয্যা, যৌবনৰ উপবন, বাৰ্দ্ধক্যৰ কাশী তীৰ্থ ; **কোৱাঁ ভাই ভাৰতৰ মাটি মোৰ স্বৰ্গ ; ভাৰতৰ মঙ্গলেই মোৰ মঙ্গল**, আৰু কোৱাঁ, দিনে ৰাতিয়ে এই বুলি প্ৰাৰ্থনা কৰা,—“হে গৌৰীনাথ, হে জগদম্বে, মোক মনুষ্যত্ব দিয়াঁ ; **মাতৃ মোৰ দুৰ্ব্বলতা কাপুৰুষতা আঁতৰাই নিয়াঁ, মোক মানুহ কৰাঁ।**

উপৰি পুৰুষ আৰ্য্য সকলৰ সভ্যতা বথানি নিজক তেওঁলোকৰ সতি সন্ততি বুলি ডাঙ্গৰ বুলি

ভাবিলেও, পুৰণি ভাৰতৰ কীৰ্ত্তি-কলাপৰ গৌৰৱ ঘোষণা দিনে ৰাতিয়ে কৰি নিজে ডাঙ্গৰটো বুলি ভাবি মাটিত ভৰি নিদিয়াকৈ ফুৰিলেও, ভাৰতৰ উচ্চ বৰ্ণ জাতি বুলি চিনাকী দিওঁতা সকল, তোমালোক এতিয়াও জীয়াই আছেনে? তোমালোক দহহেজাৰ বছৰৰ "মমি"! যি অনুন্নত জাতি "চলমান শ্মশান" বুলি তোমালোকৰ উপৰি পুৰুষসকলে ঘিণাই আহিছে তেওঁলোকৰ ভিতৰতহে ভাৰতৰ জীৱন আছে—যদি আছে। তোমালোকহে আচলতে "চলমান শ্মশান।" তোমালোকৰ ঘৰ বাৰীবোৰ যেন যাদুঘৰ (মিউজিয়াম), তোমালোকৰ আচাৰ ব্যৱহাৰ দেখিলে, চাল চলন দেখিলে তাহানি বুঢ়ীআইৰ মুখে সাধুকথা শুনিছোঁ বুলিহে অনুমান হয়। তোমালোকৰ লগত কথা বতৰা পাতি আহিও কৰবাত চিত্ৰশালীত চিত্ৰ দেখি আহিলোঁ যেনহে লাগে! এই মায়া সংসাৰত আচল মায়া প্ৰহেলিকা, আচল মৰিচিকা তোমালোক ভাৰতৰ উচ্চ জাতি নামধাৰীসকল! তোমালোক অতীত কাল, লঙ্‌, লুঙ্‌, লিট্‌ যি বোলাঁ। তোমালোক বৰ্ত্তমান যুগত গোচৰীভূত বুলি যদিও অনুমান হয় তথাপি সি এটা সপোনহে, তোমালোক বুলি ভৱিষ্যতলৈ একো

নাই। তোমালোক ইৎ লোপ লুপ। তোমালোক হৈছা স্বপ্ন ৰাজ্যৰ মানুহ। তোমালোক আৰু থকাৰ সকাম নাই। অতীত ভাৰত-শৰীৰৰ তোমালোক হৈছা ৰক্ত মাংস হীন জকা; তোমালোক ধূলি মাটি হৈ বতাহত মিলি নোযোৱাঁ কিয়? তোমালোকৰ অস্থিময় আঙ্গুলিত পূৰ্ব্ব পুৰুষসকলৰ দ্বাৰা সঞ্চিত কিছুমান অমূল্য ৰত্নৰ আঙঠি আছে; তোমালোকৰ সমাজৰূপ মৃতশৰীৰৰ বুকুত বহুতো ৰত্নভাণ্ডাৰ লৈ আছা। ইমান দিন আনক দিবলৈ সুবিধা পোৱা নাছিলা। এতিয়া ইংৰাজ ৰাজ্যৰ ভিতৰত অবাধ বিদ্যাচৰ্চ্চাৰ দিনত সেইবোৰ উপযুক্ত উত্তৰাধিকাৰীৰ হাতত সমৰ্পণ কৰাঁ। তোমালোক শূন্যত বিলীণ হৈ যোৱাঁ; তাৰ পৰিবৰ্ত্তে আজি এক নতুন ভাৰত হৈ জগতৰ আগত ওলাওক। নাঙলৰ কুটিত ধৰি, হলোৱাৰ পজাঘৰপৰা ডোম, হাড়ী, চণ্ডাল, মোটোৰৰ পৰ্ণ কুটিৰৰপৰা আজি নতুন ভাৰতৰ জন্ম হওক। আজি দোকানী, পোহাৰীৰ দোকানৰপৰা মিঠাইৱালাৰ চৌকাৰ কাষৰপৰা আজি নতুন ভাৰত ওলাওক। ওলাওক—কল কাৰখানা, হাট, বজাৰৰ পৰা। ওলাওক—হাবী, বন, পৰ্ব্বত,

PLEASE HANDLE THE BOOK CAREFULLY

পাহাৰবপৰা। সিহঁতে হেজাৰ হেজাৰ বছৰ ধৰি অত্যাচাৰ সহিছে, নিৰবে সহি আহিছে, তাৰপৰা সিহঁতে যথেষ্ট সহিষ্ণুতা লাভ কৰিছে। অশেষ দুখ ভোগ কৰিছে, তাৰপৰা সিহঁতে অটল জীৱনী শক্তি লাভ কৰিছে। এমুঠি ছাতু খাই সিহঁতে জগৎ ওলট পালট কৰি দিব পাৰে। ৰুটি এফাল পালে ত্ৰৈলোক্যত ইহঁত বলে নধৰা হব। ইহঁত ৰক্তবীজৰ বংশধৰ। তাতে ইহঁতে সদাচাৰী বল পাইছে; তেনে বল ত্ৰৈলোক্যতো নাই। ইমানে শান্তি, ইমান প্ৰীতি, ইমান ভাল পোৱা আৰু নিৰবে দিনে ৰাতি খটা আৰু কাম কৰোঁতে সিংহৰ বিক্ৰম!! অতীতৰ জাতীয় জকা! এয়ে তোমাৰ উত্তৰধিকাৰী, এয়ে ভবিষ্যত ভাৰত। এয়ে তোমাৰ ৰত্নভাণ্ডাৰ, তোমাৰ মাণিকৰ আঙঠি। এতিয়া তোমাৰ উত্তৰাধিকাৰীৰ আগত এইবোৰ পেলাই দিয়া; দি তুমি এচুকত সোমাই থাকা বা বতাহত মিলি যোৱা, বা অদৃশ্য হোৱা। মুঠেই এই ফালে কাণ ঠিয় কৰি থকা; যেই তুমি বিলীন হলা সেই তুমি শুনিবা কেটি কোটি কণ্ঠেৰে ত্ৰিভুবন কপাই তোলা ভবিষ্যত ভাৰতৰ উদ্বোধন ধ্বনি—"**ওয়াহ-গুৰুকি ফতে।**"

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

নিবেদন।

ছাত্ৰ সমাজৰ প্ৰতি চন্দ্ৰনাথৰ কৰ্ত্তব্যখিনি অতুলনীয় আছিল। দেশৰ ছাত্ৰ সমূহৰ শিক্ষা বিষয়ত তেখেতৰ চোকা দৃষ্টি আছিল। "আসাম ছাত্ৰ সম্মিলন" স্থাপন চন্দ্ৰনাথৰ শেষ দান। আজিৰ ছাত্ৰ সমাজ চন্দ্ৰনাথৰ স্মৃতি ৰক্ষাৰ্থে কৰা আমাৰ এই আয়োজনত শক্তি অনুযায়ী সহায়ক নহবনে?

দ্বিতীয় পুথি শ্ৰীযুত তুলসীচন্দ্ৰ বৰুৱাৰ

মৌ-জোল (যন্ত্ৰস্থ)   বেচ পনে ॥০

আমি এই গ্ৰন্থাবলীত সম্প্ৰতি তলত নাম দিয়া কিতাপবোৰ লিখাই প্ৰকাশ কৰিবৰ মন কৰিছোঁ:—

১। ৰাণাপ্ৰতাপ সিংহ ২। লাচিত ফুকন

৩। শিবাজী ৪। তিলক মহাৰাজ

৫। চাৰ সুৰেন্দ্ৰনাথ বানাৰ্জ্জী

৬। চাৰ আশুতোষ ৭। চিলাৰায়

৮। নগাজাতি ৯। মিৰি জাতি

১০। শিৱসাগৰ কীৰ্ত্তি ১১। জয়মতি

১২। গৰখীয়া দ'ল (অভিনৱ নাটিকা)

১৩। ৰণজিৎ সিংহ